## ভিতৰৰ পৃষ্ঠাত

পৰিৱেশ প্ৰদূষণ — পৃষ্ঠা ৪
জীৱ-বৈচিত্ৰ্যৰ... — পৃষ্ঠা ৫
ভাৰতীয় পুতলা নাচৰ... — পৃষ্ঠা ৭
'জাতি মাটি ভেটি' এখন... — পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 41 ■ Guwahati ■ Wednesday ■ 3 June, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪১ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৯ জেঠ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


## নিলাম কেন্দ্ৰত ৮০০ টকা কেজিত বিক্ৰী ঢেকীয়াজুলিৰ চাহপাত



■ **নাৰায়ণ ফয়েল, ঢেকীয়াজুলি ঃ** গুৱাহাটী চাহ নিলাম কেন্দ্ৰত যোৱা ২৬ মে'ত সম্পন্ন নিলাম প্ৰক্ৰিয়াত ঢেকীয়াজুলি চাহ বাগিচাৰ চাহপাত ৮০০ টকা কিলোগ্ৰাম দৰত বিক্ৰী হয়। জেন টি কোম্পানীয়ে ৮০০ টকা কিলোগ্ৰামত চাহপাত ক্ৰয় কৰে। এই আশাব্যঞ্জক খবৰে চাহ উদ্যোগীসকলৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। উল্লেখ্য যে শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ■ দুই পৃষ্ঠাত

## ছুপ্ৰিম ক'ৰ্টৰ নিৰ্দেশক লৈ শিক্ষকৰ মাজত হাহাকাৰ

### ২০২৮ৰ ৩১ আগষ্টৰ ভিতৰত উত্তীৰ্ণ হ'ব লাগিব টেট

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** দেশৰ উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশনাই নিদ্ৰাহৰণ কৰিছে টেটত অৱতীৰ্ণ নোহোৱা কৰ্মৰত শিক্ষকসকলৰ। ন্যায়ালয়ৰ শেহতীয়া নিৰ্দেশনা অনুসৰি কৰ্মৰত সকলো প্ৰাথমিক শিক্ষকেই অহা ২০২৮ চনৰ ৩১ আগষ্টৰ ভিতৰত টেটত উত্তীৰ্ণ হ'ব লাগিব। পূৰ্বতে এই সময়সীমা



২০২৭ চনৰ ৩১ আগষ্ট নিৰ্দ্ধাৰণ কৰা হৈছিল। ভৱিষ্যতে আৰু এই সময়সীমা পুনৰ বৃদ্ধি কৰা নহয় বুলি স্পষ্ট কৰি দি উচ্চতম ন্যায়ালয়ে ৰাজ্যসমূহক বছৰত দুবাৰকৈ টেট অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে। কৰ্মৰত সকলো প্ৰাথমিক শিক্ষক টেট উত্তীৰ্ণ হ'ব লাগিব বুলিও ন্যায়ালয়ে স্পষ্ট কৰি দিছে। শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ আগৰে পৰাই কৰ্মৰত ■ দুই পৃষ্ঠাত


## মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক কেন্দ্ৰ কৰি জল্পনা-কল্পনা আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অহা ৫ জুনত সম্প্ৰসাৰণ হ'ব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ। দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেন্দ্ৰীয় নেতৃত্বক সাক্ষাৎ কৰি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে ৰাজ্যত দ্বিতীয়টো কাৰ্যকালৰ বাবে মুখ্যমন্ত্ৰী হিচাপে ■ দুই পৃষ্ঠাত

### বৰপেটাৰোডত পাইকাৰী ব্যৱসায়ীৰ গুদামত ধৰা পৰিল ৰাসায়নিক ৰঙত তিয়াই থোৱা পটল

## ৰাজ্যত পাচলিৰ বজাৰত বৰবিহ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ৰাজ্যৰ বজাৰত পাচলিৰ নামত বৰবিহ বিক্ৰী কৰি আহিছে এচাম লাভখোৰ ব্যৱসায়ীয়ে। সৰ্বসাধাৰণ কৃষক ৰাইজৰ পৰা কম মূল্যত উৎপাদিত পাচলি ক্ৰয় কৰি সেই পাচলিকে ৰাসায়নিক ৰঙত তিয়াই বজাৰত সতেজ পাচলি বুলি গ্ৰাহকক বিক্ৰী কৰি আহিছে এচাম ধুৰন্ধৰ ব্যৱসায়ীয়ে। শেহতীয়াভাৱে যোৱা ৩১ মে'ত বৰপেটাৰোডত ধৰা পৰিছে এনে এজন ব্যৱসায়ী। স্থানীয় সাংবাদিকৰ তৎপৰতাত বৰপেটাৰোডৰ পাইকাৰী ব্যৱসায়ী



হাইদৰ আলীৰ গুদামত চলোৱা এক আকস্মিক অভিযানত গুদামটোৰ উদ্ধাৰ কৰা হয় ৰাসায়নিক ৰঙৰ কেইবাটাও ডাঙৰ পাত্ৰ। এই অভিযোগ অনুসৰি কৃষকৰ পৰা কম মূল্যত উৎপাদিত পাচলি ক্ৰয় কৰি আনে হাইদৰ আলীসহ তেওঁ এজেণ্টসকলে। সেই পাচলি নিৰ্দিষ্ট গুদামটোলৈ আনি ৰাসায়নিক ৰঙত তিয়াই সতেজৰূপ দিয়া হয়। ইয়াৰ পিছত বস্তাত ভৰাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰলৈ বিক্ৰীৰ বাবে পঠিয়াই দিয়া হয় বৰবিহ সদৃশ ■ দুই পৃষ্ঠাত



### অসম ফাৰ্মাচিউটিকেল এছ'চিয়েচন

## ঔষধৰ মূল্য নিয়ন্ত্ৰণ-বিতৰণ ব্যৱস্থাৰ সমস্যা সমাধানৰ দাবী

**গুৱাহাটী ঃ** ৰাজ্যৰ ঔষধ বিতৰণ আৰু সেৱা খণ্ডৰ ব্যৱসায়ীসকলৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে ১৯৫৫ চনত জন্ম দিয়া অসম ফাৰ্মাচিউটিকেল এছ'চিয়েচনৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভাখন যোৱা দেওবাৰে নমাইলত থকা অনিয়া এডিচনত অনুষ্ঠিত হয়। পুৱা ১০ বজাত নাম পঞ্জীয়ন কাৰ্যসূচীৰে আৰম্ভ হোৱা সভাখনত আদৰণি ভাষণ দিয়ে অসম ফাৰ্মাচিউটিকেল এছ'চিয়েচনৰ সাধাৰণ সম্পাদক ■ দুই পৃষ্ঠাত

### সমাজক খণ্ডিত কৰা শক্তিসমূহৰ প্ৰতি সাৱধান হ'ব লাগিব ঃ শংকৰ দাস কলিতা

## হোজাইত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তাক প্ৰশিক্ষণ



**অসম ভূমি সেৱা, হোজাই ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ উদ্যোগত হোজাইৰ গীতাশ্ৰমত আয়োজিত ২০ দিনীয়া কাৰ্যকৰ্তা বিকাশ বৰ্গৰ (প্ৰথম, সাধাৰণ) যোৱা দেওবাৰে সামৰণি পৰে। এই বৰ্গত উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা ১০২ গৰাকী স্বয়ংসেৱকে প্ৰশিক্ষণ গ্ৰহণ ■ দুই পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ৰাজ্যত পাচলিৰ বজাৰত বৰবিহ

এই পাচলি। বজাৰৰ পৰা গ্ৰাহকে এই পাচলি ক্ৰয় কৰে। উল্লেখ্য যে ৰাজ্যত খাদ্য সুৰক্ষা বিভাগ এটা আছে যদিও এই বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সময়োপযোগী পদক্ষেপৰ অভাৱৰ বাবেই ৰাজ্যত এনেদৰে বৰবিহ মিহলোৱা পাচলিৰ এখন বৃহৎ বজাৰ গঢ় লৈ উঠিছে। ইয়াৰ উপৰিও ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভেজাল সাৰৰ ৰমৰমীয়া বেহা চলি থকা বুলিও সময়ে সময়ে সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। ফলস্বৰূপে ৰাসায়নিক ৰঙত তিয়াই থোৱা, ভেজাল সাৰ প্ৰয়োগ কৰি উৎপাদন কৰা সামগ্ৰী খোৱাৰ ফলত ৰাজ্যত বিভিন্ন ৰোগত আক্ৰান্ত লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। যিটো উদ্বেগৰ বিষয় হৈ পৰিছে। ৰাজ্য চৰকাৰে শীঘ্ৰে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে সৰ্বসাধাৰণ ৰাইজে এনেদৰে পাচলিৰ নামত বৰবিহ খায়েই থাকিব লাগিব। এনে ব্যৱস্থা ৰোধ কৰিবলৈ ৰাজ্যৰ বজাৰসমূহত বিক্ৰীৰ বাবে অনা খাদ্য সামগ্ৰীৰ গুণগত মান পৰীক্ষা কৰাটো জৰুৰী হৈ পৰিছে।

# মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক কেন্দ্ৰ

ড° হিমন্ত বিশ্ব শৰ্মাই শপতগ্ৰহণৰ দিনা তেওঁৰ সৈতে একেলগে কেবিনেট মন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিছিল বিজেপিৰ ৰামেশ্বৰ তেলী, অজন্তা নেওগ, অগপৰ সভাপতি অতুল বৰা আৰু বিপিএফৰ চৰণ বড়োৱে। এতিয়া অহা ৫ জুনত সম্প্ৰসাৰণ হ'ব ড° শৰ্মাৰ মন্ত্ৰীসভাৰ। অৱশ্যে এই সম্প্ৰসাৰণত মন্ত্ৰীসভাত কোন কোন বিধায়ক অন্তৰ্ভুক্ত হ'ব সেই কথা এতিয়ালৈকে আনুষ্ঠানিকভাৱে সদৰী কৰা নাই মুখ্যমন্ত্ৰীয়ে। নতুন মন্ত্ৰীৰ তালিকাক লৈ সামাজিক মাধ্যম, সংবাদ মাধ্যম, ৰাজনৈতিক মহলত ব্যাপক চৰ্চা চলিলেও পূৰ্বৰ একাংশ মন্ত্ৰীয়ে পুনৰ মন্ত্ৰীসভাত স্থান লাভ নকৰাটো নিশ্চিত হৈছে। অৱশ্যে এইসকল প্ৰাক্তন মন্ত্ৰী তথা প্ৰভাৱশালী নেতাক বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ, উপাধ্যক্ষ নতুবা অন্য পদত অধিষ্ঠিত কৰি কেবিনেট মৰ্যাদাৰে সন্তুষ্ট কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। এইবাৰৰ সম্প্ৰসাৰণত মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ তথা পূৰ্বৰ কাৰ্যকালৰ সফল মন্ত্ৰী হিচাপে পৰিচিত পীযুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাই স্থান লাভ কৰাটো নিশ্চিত বুলি এক সূত্ৰই প্ৰকাশ কৰিছে। তেওঁলোকৰ উপৰি ডাঃ ৰণোজ পেগু, বঙালী সম্প্ৰদায়ৰ পৰা ডাঃ ৰাজদীপ ৰয়, হিন্দীভাষী তথা বৰাক উপত্যকাৰ প্ৰতিনিধিৰূপে কৌশিক ৰয়, আহোমৰ প্ৰতিনিধি হিচাপে ধৰ্মেশ্বৰ কোঁৱৰ, উত্তৰ অসমৰ প্ৰতিনিধিৰূপে পল্লৱলোচন দাস, সোণাৰিৰ বিধায়ক সুশান্ত বৰগোহাঁই নতুবা তৰংগ গগৈ, শদিয়াৰ পাঁচবাৰৰ বিধায়ক তথা মৰাণ জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে বলিন চেতিয়া, বিমল বৰাৰ নামো মন্ত্ৰীসভাত স্থান লাভৰ তালিকাত চৰ্চিত হৈছে। একেদৰে বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তথা প্ৰাক্তন মন্ত্ৰী, ৰঙিয়াৰ বিধায়ক ভবেশ কলিতাও মন্ত্ৰীত্বৰ এজন সবল দাবীদাৰ। পূৰ্বৰ অগপ চৰকাৰৰ দিনৰ পৰাই এজন শক্তিশালী নেতা হিচাপে ৰাজ্যৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি অহা টিহু সমষ্টিৰ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ো মন্ত্ৰীত্বৰ দাবীদাৰ। অৱশ্যে জয়ন্ত মল্ল বৰুৱাক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিলে চন্দ্ৰমোহন পাটোৱাৰীক মন্ত্ৰীৰ পদ দিয়াৰ সলনি কেবিনেট মৰ্যাদাৰে আন পদত সংস্থাপিত কৰিবও পাৰে। মুঠৰ ওপৰত মন্ত্ৰীসভাৰ আগত সম্প্ৰসাৰণক লৈ এতিয়া শাসক পক্ষৰ বিধায়কসকলৰ মাজত চলিছে ব্যাপক জল্পনা-কল্পনা।

# ছুপ্ৰিম ক'ৰ্টৰ নিৰ্দেশক লৈ

আৰু যিসকল শিক্ষকৰ চাকৰিকাল পাঁচ বছৰতকৈ বেছি আছে তেওঁলোকে দুবছৰৰ ভিতৰত টেটত উত্তীৰ্ণ হোৱাতো বাধ্যতামূলক। অৱশ্যে চাকৰিকাল পাঁচবছৰতকৈ কম থকা শিক্ষকক টেটৰ পৰা ৰেহাই দিয়া হৈছে। কিন্তু যদিহে তেনে শিক্ষকে পদোন্নতি বিচাৰে, তেন্তে টেটত উত্তীৰ্ণ হ'ব লাগিব। ন্যায়ালয়ে বান্ধি দিয়া সময়সীমাৰ ভিতৰত টেটত উত্তীৰ্ণ হ'ব নোৱাৰিলে চাকৰি এৰিব লাগিব শিক্ষকসকলে। দেশৰ উচ্চতম ন্যায়ালয়ে দিয়া এই ৰায়ৰ পিছতে হাহাকাৰ লাগিছে কৰ্মৰত শিক্ষকসকলৰ মাজত। বছৰ বছৰ ধৰি বিদ্যালয়ত শিক্ষাদান কৰি অহা শিক্ষকসকলে আদ বয়সত কেনেদৰে টেটত অৱতীৰ্ণ হ'ব তাকে লৈ চিন্তিত হৈ পৰিছে। ইপিনে, বিভিন্ন শিক্ষক-কৰ্মচাৰী সংগঠনো এই বিষয়টোক লৈ উদ্বিগ্ন হৈ পৰিছে। সদৌ অসম কৰ্মচাৰী পৰিষদে অসমৰ কৰ্মৰত শিক্ষক সমাজৰ স্বাৰ্থত উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশনা কেনেদৰে ৰেহাই কৰিব পাৰি নতুবা শিক্ষকসকলক টেটত অৱতীৰ্ণ হোৱাৰ পৰা কি প্ৰক্ৰিয়াৰে ৰেহাই দিব পাৰি সেই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মনে এই সন্দৰ্ভত কয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা সন্দৰ্ভত চৰকাৰে শিক্ষক সমাজৰ স্বাৰ্থত বিধিগত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৪৫-৫০ বছৰ বয়স অতিক্ৰম কৰা নতুবা বছৰ বছৰ ধৰি বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি অহা শিক্ষকসকলৰ এতিয়া নতুনকৈ টেটত অৱতীৰ্ণ হোৱাৰ মানসিকতা নাই। তেনেক্ষেত্ৰত উচ্চতম ন্যায়ালয়ত পুনৰবাৰ আবেদন জনাই শিক্ষকসকলক সকাহ দিয়া উচিত বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে কৰ্মৰত শিক্ষকৰ ক্ষেত্ৰত দিয়া এই ৰায় সলনি নকৰিলে ইতিমধ্যে টেটত উত্তীৰ্ণ নোহোৱা বহু শিক্ষকে চাকৰি হেৰুৱাৰ আশংকা ঘনীভূত হৈছে।

# নিলাম কেন্দ্ৰত ৮০০ টকা কেজিত

চাহ বাগিচাত উৎপাদিত চাহপাত উৎকৃষ্ট মানৰ চাহপাত বুলি চৰ্চিত হৈছে। ইয়াত উৎপাদিত চাহপাতে বজাৰ দখল কৰিছে। পেৰি এগ্ৰো লিমিটেডৰ অধীনস্থ ঢেকীয়াজুলি চাহ বাগিচাত উৎপাদিত চাহপাত যোৱা ২৬ মে'ত গুৱাহাটী চাহ নিলাম কেন্দ্ৰত নিলাম প্ৰক্ৰিয়াত সৰ্বাধিক ৮০০ টকা কিলোগ্ৰাম দৰত বিক্ৰী হোৱাৰ পিছতেই চাহ বাগিচাখনৰ শ্ৰমিক ৰাইজ উৎফুল্লিত হৈ পৰিছে। শ্ৰমিক সংগঠনসমূহৰ লগতে আটছা, আটছা নাগৰিক মঞ্চই চাহ বাগিচা কৰ্তৃপক্ষক শুভেচ্ছা জনাইছে। ঢেকীয়াজুলি চাহ বাগিচা কৰ্তৃপক্ষই উৎকৃষ্ট চাহ উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি আহিছে বুলিও স্থানীয় ব্যক্তি সকলৰ লগতে দল-সংগঠনৰ বিষয়ববীয়াসকলে মত প্ৰকাশ কৰিছে। ইপিনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই সামাজিক মাধ্যমত টুইট কৰি, চাহ বাগিচা কৰ্তৃপক্ষৰ লগতে শ্ৰমিক ৰাইজক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে যে, এয়া অসমবাসীৰ লগতে চাহ বাগিচাৰ শ্ৰমিক ৰাইজৰ বাবে গৌৰৱৰ ক্ষণ। চাহ উদ্যোগক লৈ মুখ্যমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ মতপোষণ কৰে।

# হোজাইত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ

কৰে। সামৰণী অনুষ্ঠানত মুখ্য বক্তা হিচাপে ভাষণ দি অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাস কলিতাই কয় যে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই বিগত ১০০ বছৰে সমাজ সংগঠন আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰ্যত নিৰন্তৰভাৱে ব্ৰতী হৈ আছে। তেওঁ কয় যে ঔপনিৱেশিক কালত ভাৰতীয় ইতিহাস, সংস্কৃতি আৰু পৰম্পৰাসমূহক বিকৃত ৰূপত উপস্থাপন কৰাৰ বাবেই নতুন প্ৰজন্ম নিজৰ সাংস্কৃতিক ভেটিৰ পৰা আঁতৰি গৈছে। পশ্চিমীয়া ভৌতিকতাবাদ, অতিব্যক্তিবাদ আৰু উপভোক্তাবাদে সমাজ তথা পৰিয়ালৰ পৰম্পৰাগত গাঁথনিকো প্ৰত্যাহ্বান জনাইছে। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে ভাৰত সমগ্ৰ বিশ্বৰ ভিতৰতে আটাইতকৈই যুৱ শক্তি সম্পন্ন ৰাষ্ট্ৰ আৰু বিভিন্ন বৈচাৰিক শক্তিয়ে যুৱপ্ৰজন্মক প্ৰভাৱিত কৰিবলৈ চেষ্টা চলাইছে। সংকীৰ্ণ দৃষ্টিভংগীয়ে সমাজক জাতি, ভাষা, অঞ্চল আৰু অন্যান্য সংকীৰ্ণ পৰিচয়ৰ ভিত্তিত বিভাজিত কৰে, ফলত সামাজিক একাত্মতা দুৰ্বল হৈ পৰে। বৈজ্ঞানিক সমাজবাদ আৰু নগৰীয়া নক্সালবাদৰ দৰে প্ৰবৃত্তিসমূহে সমাজত কৃত্ৰিম বিভাজন আৰু সংঘাতৰ মানসিকতাক প্ৰশ্ৰয় দিব বুলিও তেওঁ অভিযোগ কৰে। অসমৰ বৰ্তমান পৰিস্থিতি সন্দৰ্ভত কলিতাই কয় যে এফালে বিশ্বায়নৰ কথা কোৱা হয়, আনফালে আকৌ সমাজক উজনি অসম-নামনি অসম, বৰাক-ব্ৰহ্মপুত্ৰ, অসমীয়া-বাংলাভাষী, হিন্দীভাষী-অনা-হিন্দীভাষী তথা বিভিন্ন জনগোষ্ঠীৰ ভিত্তিত বিভাজিত কৰাৰ প্ৰয়াস চলিছে। তেওঁ কয় যে বৈচিত্ৰ্যক সংঘাতৰ নহয়, বৰং সামাজিক আৰু সাংস্কৃতিক সমৃদ্ধিৰ আধাৰ কৰি তুলিব লাগে। ভাষা আৰু লিপিৰ সৈতে জড়িত বিষয়সমূহকো সমাজক ভাগ ভাগ কৰাৰ মাধ্যম হ'বলৈ দিব নালাগে বুলি তেওঁ মন্তব্য কৰে। উক্ত অনুষ্ঠানত আশীৰ্বচন প্ৰদান কৰি মেঘালয়ৰ পূব খাছি হিলছত অৱস্থিত পৰম্পৰাগত খাছি ৰাজ্য 'হিমা খৈৰিম'ৰ উপ-ৰজা হাবাপান সিং চিয়েমে সংঘৰ শতবৰ্ষৰ যাত্ৰা আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানক প্ৰশংসা কৰে। সামৰণী অনুষ্ঠানত অসমৰ বিভিন্ন জিলাৰ কেইবাহাজাৰ স্বয়ংসেৱক, শুভাকাংক্ষী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বৰ্গাধিকাৰী পি. ভি. এছ, এল, এন. মূৰ্তি আৰু বৰ্গ কাৰ্যবাহ দীনেশ্বৰ সিঙৰ মাৰ্গদৰ্শনত এই প্ৰশিক্ষণ বৰ্গ সফলতাৰে সম্পন্ন হয়। কাৰ্যসূচীত অসম ক্ষেত্ৰৰ সংঘচালক ড° উমেশ চক্ৰৱৰ্তীও উপস্থিত থাকে।

# ঔষধৰ মূল্য নিয়ন্ত্ৰণ-বিতৰণ ব্যৱস্থাৰ

ৰঞ্জন কুমাৰ ডেকাই। ইয়াৰ পিছতে এছ'চিয়েচনৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয় সভাখন। সভাত এছ'চিয়েচনে ইতিমধ্যে কৰা কাম-কাজৰ খতিয়ান দিয়াৰ লগতে প্ৰতিবেদন পাঠ কৰে সাধাৰণ সম্পাদক ৰঞ্জন কুমাৰ ডেকাই। বাৰ্ষিক পৰিক্ষিত হিচাপ সভাত দাখিল কৰে কোষাধক্ষ্য সৌৰভ লিহলাই। হিচাপ-নিকাচ, বিগত কাম-কাজত খতিয়ানৰ ওপৰত আলোচনাৰ অন্তত সভাত উদ্যোগ আৰু বাণিজ্য বিষয়ত বক্তব্য দাঙি ধৰে সম্পাদক সঞ্জীৱ দেৱ চৌধুৰীয়ে। সভাত জি এছ টি প্ৰয়োগৰ পিছত ঔষধ বিতৰণ ব্যৱস্থাত আহি পৰা সংকটক লৈ উদ্বেগ প্ৰকাশ কৰা হয়। একেদৰে এছ'চিয়েচনৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনাৰ অন্তত সভাত প্ৰফুল্ল চন্দ্ৰ শৰ্মাক সভাপতি আৰু ৰঞ্জন কুমাৰ ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ এছ'চিয়েচনৰ নতুন সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে সভাত অসম চৰকাৰৰ ভাৰপ্ৰাপ্ত ড্ৰাগছ কণ্ট্ৰ'লাৰ বিশ্বজিত তালুকদাৰ, অনুজ্ঞাপত্ৰ বিষয়া -খাদ্য পৰিদৰ্শক অনিল শৰ্মা, ভাৰতীয় ফাৰ্মাচী পৰিষদৰ সদস্য বীৰেন্দ্ৰ কুমাৰ বৰ্মন, বিশিষ্ট সমাজকৰ্মী মজিবুৰ ৰহমান, বিশিষ্ট সমাজকৰ্মী কুমুদ কলিতাৰ লগতে এছ'চিয়েচনৰ প্ৰাক্তন সভাপতি তথা উপদেষ্টা ডি. পি. বাজাজক সম্বৰ্ধনা জনোৱা হয়। সভাত অন্য ৰাজ্যৰ পৰা অসাধু ব্যৱসায়ীৰ জৰিয়তে বৃহৎ পৰিমাণৰ ঔষধ ৰাজ্যলৈ প্ৰৱেশ কৰাৰ ফলত স্থানীয় ব্যৱসায়ীসকল ক্ষতিগ্ৰস্ত হোৱাৰ অভিযোগ উত্থাপন কৰা হয়। ইয়াৰ উপৰিও, ড্ৰাগছ এণ্ড কছমেটিকছ আইন, ১৯৪০ৰ অধীনত স্পষ্ট আইনী ব্যৱস্থা নথকাৰ পিছতো অনলাইনত ঔষধ বিক্ৰী চলি থকাত বিতৰণ ব্যৱস্থাত বিভ্ৰান্তিৰ সৃষ্টি হোৱা বুলি সংগঠনটোৱে মত প্ৰকাশ কৰে। নিৰ্মাতা প্ৰতিষ্ঠানসমূহে ৩০ শতাংশ বা তাতোধিক ৰেহাই আগবঢ়োৱাৰ বিপৰীতে বিতৰক আৰু খুচুৰা বিক্ৰেতাসকলৰ লাভৰ মাৰ্জিন ২৫ শতাংশৰ ভিতৰত সীমাবদ্ধ থকাৰ ফলত ব্যৱসায়ীসকল লোকচানৰ সন্মুখীন হোৱা বুলি বক্তব্যত উল্লেখ কৰে। সভাত স্পুৰিয়াছ বা নকল ঔষধ অচিনাক্ত চেনেলৰ জৰিয়তে বজাৰত প্ৰৱেশ কৰাৰ আশংকাও প্ৰকাশ কৰা হয়। ইয়াৰ ফলত জনস্বাস্থ্যৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিব পাৰে বুলি সংগঠনটোৱে সতৰ্ক কৰি দিয়ে। এই বিষয়ত কেন্দ্ৰীয় চৰকাৰক আইন অনুসৰি কঠোৰ নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱা হয়। ইফালে, মণিপুৰৰ অশান্ত পৰিস্থিতিৰ বাবেও ঔষধ যোগানত জটিলতা সৃষ্টি হোৱা বুলি সভাত উল্লেখ কৰা হয়। পথ যোগাযোগ ব্যাহত হোৱাৰ ফলত অত্যাধিক ব্যয়বহুল বিমান পৰিবহণৰ ওপৰত ঔষধ যোগান নিৰ্ভৰ কৰিবলগীয়া হৈছে। এনে পৰিস্থিতিত ৰাজ্যখনত জীৱন ৰক্ষাকাৰী আৰু অত্যাৱশ্যকীয় ঔষধৰ যোগান অব্যাহত ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰক ৰাজসাহাৰ্যযুক্ত এয়াৰ কাৰ্গ' ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ দাবী জনায় সংগঠনটোৱে। সভাত লগতে ঔষধ আৰু সামগ্ৰিক স্বাস্থ্যসেৱাৰ ব্যয় ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ বিষয়েও উদ্বেগ প্ৰকাশ কৰা হয়। ঔষধৰ মূল্য নিয়ন্ত্ৰণ আৰু স্বাস্থ্যসেৱা অধিক সুলভ কৰাৰ উদ্দেশ্যে চৰকাৰ, ঔষধ নিৰ্মাতা, বিতৰক আৰু অন্যান্য অংশীদাৰসকলক একেলগে বহি এই সমস্যাৰ সমাধান কৰিবলৈ আহ্বান জনায় অসম ফাৰ্মাচিউটিকেল এছ'চিয়েচনে।

লোকাশিস বায়নৰ Zubeen Garg- the voice of the people উন্মোচন

# জুবিন গাৰ্গক লৈ নৱম শ্ৰেণীৰ ছাত্ৰৰ গ্ৰন্থ প্ৰকাশ



**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** জ্যোতি চিত্ৰবনত যোৱা ২৮ মে'ত বৰপেটা জিলাৰ হাউলীৰ নৱম শ্ৰেণীৰ ছাত্ৰ লোকাশিস বায়নে ইংৰাজী ভাষাত লিখা গ্ৰন্থ 'Zubeen Garg-the voice of the people' নামৰ জুবিন গাৰ্গৰ জীৱনভিত্তিক গ্ৰন্থখন জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গৰ হাতত অৰ্পণ কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰ, অসম বিধানসভাৰ অৱসৰপ্ৰাপ্ত প্ৰধান সচিব হেমেন দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গ্ৰন্থখন গ্ৰহণ কৰি গৰিমা গাৰ্গে লোকাশিসৰ দৰে কণমানি ছাত্ৰ এজনক জুবিন গাৰ্গৰ জীৱন আৰু আদৰ্শই স্পৰ্শ কৰা কথাটো উৎসাহজনক কথা বুলি উল্লেখ কৰি এনে প্ৰচেষ্টা নৱপ্ৰজন্মৰ মাজত জুবিন গাৰ্গৰ আদৰ্শ জীয়াই ৰখাৰ সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। এই প্ৰসংগত গৰিমা গাৰ্গে লোকাশিস লক্ষ লক্ষ নতুন পুৰুষৰ প্ৰতীক বুলি অভিহিত কৰে আৰু এনেদৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জুবিন গাৰ্গৰ আদৰ্শ প্ৰবহমান হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। এনে ইতিবাচক পদক্ষেপে গৰিমা গাৰ্গক অতিকৈ প্ৰভাৱান্বিত কৰা বুলি উল্লেখ কৰি লোকাশিস আৰু পুথিখনৰ প্ৰকাশৰ সৈতে জড়িত সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকশ কৰে। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই কিতাপখনৰ মাজতেই জুবিন গাৰ্গক বিচাৰি পোৱা যাব বুলি মত প্ৰকাশ কৰে। কিশোৰ লেখকগৰাকীকৰ প্ৰয়াসক ভূয়সী প্ৰশংসা কৰি আৰু তেওঁ কয় যে এই কিতাপখন এখন জীৱনী কোষেই নহয়, সাধাৰণতে জুবিনৰ বিষয়ে নজনা বহু তথ্যৰো ভঁৰাল। অনুষ্ঠানত উপস্থিত থাকি অৱসৰপ্ৰাপ্ত প্ৰধান সচিব হেমেন দাসে ভাৰতৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোকসকলৰ দৃষ্টিত জুবিন গাৰ্গ কেনেকুৱা আছিল, সেই কথাৰ উল্লেখে কিতাপখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি অভিহিত কৰে আৰু নৱপ্ৰজন্মৰ এগৰাকী কিশোৰে ইংৰাজী ভাষাত লিখা এই কিতাপখনে নৱপ্ৰজন্মৰ দৃষ্টিত জুবিন গাৰ্গ কেনেকুৱা আছিল তাকো প্ৰতিফলিত কৰা বুলি মন্তব্য কৰে।

## জিলিঙনিৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ আধাৰত দলীয় নৃত্য প্ৰতিযোগিতা

**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** উত্তৰ গুৱাহাটীৰ আগশাৰীৰ স্বেচ্ছাসেৱী সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান জিলিঙনিৰ উদ্যোগত অহা ১৪ জুন দেওবাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু তেওঁ কণ্ঠদান কৰা গীতৰ আধাৰত চন্দ্ৰকান্ত বৰুৱা সোঁৱৰণী সদৌ অসম ভিত্তিত দলীয় নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উত্তৰ গুৱাহাটী শিলসাঁকো স্থিত প্ৰাগজ্যোতিষপুৰ কলা পৰিষদৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি জিলিঙনিৰ সভাপতি ধৈৰ্য বৰুৱাই জানিবলৈ দিয়ে। বৰুৱাই জনোৱা অনুসৰি প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী দলক বঁটাৰ লগতে নগদ ১০,০০০, ৭,০০০ আৰু ৫,০০০ টকা আগবঢ়োৱা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলসমূহক অহা ১০ জুনৰ ভিতৰত নিজ নিজ দলৰ নাম পঞ্জীয়ন কৰিবলৈ আয়োজক সমিতিৰ সাধাৰণ সম্পাদক ৰূপক ডেকা আৰু সাংস্কৃতিক সম্পাদক হেমন্ত বড়াই আহ্বান জনাইছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰতিযোগী দলসমূহক আয়োজক সমিতিৰ তৰফৰ পৰা ৮৮২২৪১৬৪৪৬ আৰু ৭০০২২১৩৮৯৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

স্থানীয় বিধায়ক, লোকনিৰ্মাণ বিভাগক ব্যৱস্থা গ্ৰহণৰ দাবী

# বজালীৰ কলৰগুৰি-লেচেৰা সংযোগী পথৰ দুৰৱস্থাত অতিষ্ঠ ৰাইজ

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলাৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ অন্তৰ্গত এটি গুৰুত্বপূৰ্ণ পথ হৈছে কলৰগুৰি-লেচেৰা সংযোগী পথ। এই পথটোৰে এক বৃহত্তৰ অঞ্চলৰ ৰাইজে প্ৰতিদিনে ব্যৱসায়-বাণিজ্যকে ধৰি বিভিন্ন কামত অহা-যোৱা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰে। কিন্তু পথছোৱাৰ সম্প্ৰতি চৰম দুৰৱস্থাই ৰাইজক যমৰ যাতনা ভোগাই আহিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত মানাহ সংযোগী এই পথছোৱা



সম্প্ৰতি মৰণফান্দত পৰিণত হৈছে। এই গুৰুত্বপূৰ্ণ পথটোৰ কেইবাঠাইতো পুৰণি পিটচবোৰ ভগা-ছিগাৰ লগতে পিটচসমূহ এৰাই গৈ এতিয়া ডাঙৰ ডাঙৰ গাঁত আৰু শিল-বালি ওলাই পৰিছে যাৰ ফলত মটৰচাইকেল, স্কুটি নাইবা অন্যান্য যান-বাহন লৈ এই পথটোৰে যাতায়াত কৰাটো অত্যন্ত বিপজ্জনক হৈ পৰাৰ লগতে পথছোৱাত নিতৌ সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। আনহাতে, বোকা-পানীৰ উপৰি সামান্য বৰষুণ দিলেই গাঁতবোৰত পানী জমা হৈ পুখুৰীসদৃশ পৰিৱেশৰ সৃষ্টি হয়। যাৰ বাবে পথচাৰী আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে চৰম আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছে। ইপিনে, পথটোৰ কদৰ্যতাৰ বাবে ৰোগীক হাস্পতাললৈ নিবলৈ এম্বুলেন্স বা জৰুৰীকালীন গাড়ী সময়মতে আহিব নোৱাৰে। ৰজাঘৰীয়াৰ উদাসীনতাৰ বাবে এই পথটো এনেদৰে বছৰ বছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত থকাৰ অভিযোগ উত্থাপিত হোৱাৰ লগতে অঞ্চলবাসী ৰাইজে যাতায়াতৰ ক্ষেত্ৰত দুৰ্বিষহ জীৱন কটোৱা সত্ত্বেও কাণসাৰ নাই বজালী লোকনিৰ্মাণ বিভাগৰ। এনে প্ৰেক্ষাপটত ৰাইজে পথছোৱাৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসন, লোকনিৰ্মাণ বিভাগ আৰু ভৱানীপুৰ-সৰভোগ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ৰঞ্জিত কুমাৰ দাসক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

## ৰামপুৰ শিল্পী সমাজৰ সভা

**ৰামপুৰ ঃ** ৰামপুৰ শিল্পী সমাজৰ যোৱা ২৯ মে'ত এখন সাধাৰণ সভা সভাপতি অমিয় কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। দক্ষিণ কামৰূপ শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ ধৰ্ম সংঘৰ সভাঘৰত আয়োজিত সভাখনৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সুভেন দাসে। সভাখনত অহা ২০ জুনত অনুষ্ঠিত হ'বলগীয়া সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন সম্পৰ্কে বিতংকৈ আলোচনা কৰা হয়। দিৱস উদ্‌যাপনৰ লগত সংগতি ৰাখি চিত্ৰাংকণ আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ ওপৰত দুটা পৰ্যায়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সভাত সিদ্ধান্ত লোৱা হয়। সভাত দীপক কুমাৰ চৌধুৰী, ভাৰত চন্দ্ৰ দাস, আভাৰাণী ঠাকুৰীয়া, বিমল শৰ্মা, মৃণাল ঠাকুৰীয়া, অসীম দাস, ৰবীন্দ্ৰ চন্দ্ৰ কলিতা প্ৰমুখ্যে বহুকেইজন বক্তাই কাৰ্যসূচী সম্পৰ্কত ইতিবাচক পৰামৰ্শ আগবঢ়ায়।

# নলবাৰীত বিশ্ব ধপাতবিৰোধী দিৱসত সজাগতা সভা

**অসম ভূমি সেৱা, নলবাৰী ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰী আৰু নলবাৰী জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ যুটীয়া উদ্যোগত যোৱা দেওবাৰে নলবাৰী নাৰ্ছিং প্ৰশিক্ষণ বিদ্যালয়ত বিশ্ব ধপাতবিৰোধী দিৱস পালন কৰা হয়। স্বাস্থ্যকৰ্মী হেমাংগ দত্তই আঁত ধৰা সভাখনত ধপাত প্ৰতিৰোধ আৰু ধপাত প্ৰতিৰোধক আইন চমুকৈ ক'টপা-২০০৩ সম্পৰ্কে বিতংভাৱে পৰ্যালোচনা কৰা হয়। এখন ধপাতমুক্ত সমাজৰ লগতে সুস্বাস্থ্যকৰ পৃথিৱী গঢ়াৰ মহৎ উদ্দেশ্য আগত ৰাখি এই দিৱস পালন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মানৱ কুমাৰ চৌধুৰীয়ে কয় যে জীৱনক ভালপোৱা মানুহে ধপাত বৰ্জন কৰা উচিত। ধপাত নিয়ন্ত্ৰণে জনস্বাস্থ্যৰ মান উন্নত কৰিব। ধপাত নিয়ন্ত্ৰণ হ'লেহে সুস্বাস্থ্যপূৰ্ণ সমাজৰ স্বপ্ন বাস্তৱত ৰূপায়িত হ'ব। লগতে ধপাতৰ ফলত হ'ব পৰা ৰোগৰ লগতে ই কেনেকৈ আমাৰ সামাজিক পৰিৱেশ বিনষ্ট কৰে সেই সম্পৰ্কেও ব্যাখ্যা কৰে। জিলা মিডিয়া বিশেষজ্ঞ পলাশজ্যোতি বৰাই কয় যে সমৃদ্ধিশালী আৰু সুৰক্ষিত জীৱনৰ ভৱিষ্যৎ নিশ্চিতকৰণৰ বাবে ধপাত বৰ্জন কৰাটো নিতান্তই জৰুৰী। আচৰণগত পৰিৱৰ্তন যোগাযোগৰ দ্বাৰা ৰুচিবোধ সলনি কৰাৰ ক্ষেত্ৰত সকলোৰে একেলগে কাম কৰিব লাগিব। ধপাত সেৱনে শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক স্বাস্থ্যৰো যথেষ্ট ক্ষতি কৰে। তদুপৰি ধপাত প্ৰতিৰোধৰ ক্ষেত্ৰত কেনেদৰে প্ৰশাসনিকভাৱে বিহিত ব্যৱস্থা ল'ব পাৰি, কেনে পদ্ধতিৰে জনগণক সজাগ কৰি এখন ধপাতমুক্ত সমাজ গঢ় দিব পাৰি আৰু আইন ভংগ কৰিলে পাবলগীয়া শাস্তি সম্পৰ্কে স্বাস্থ্যকৰ্মী হেমাংগ দত্তই বিশদভাৱে ব্যাখ্যা কৰে। নলবাৰী নাৰ্ছিং প্ৰশিক্ষণ বিদ্যালয়ৰ উপাধ্যক্ষ তাজমা বেগমে কৰ্কট ৰোগৰ কাৰণ আৰু প্ৰতিকাৰৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰে। সভাত স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে শিক্ষাৰ্থীসকল উপস্থিত আছিল।

■ অসম ভূমি ■ ৩ জুন, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# বিধানসভাত দুৰ্নীতি

শেহতীয়াকৈ ৰাজ্যত চৰ্চাৰ বিষয় হৈ পৰিছে অসম বিধানসভা সচিবালয়ত সংঘটিত দুৰ্নীতি। সংবাদ মাধ্যম, সামাজিক মাধ্যম সকলোতে আজি কিছুদিন ধৰি অসম বিধানসভা সচিবালয়ত পূৰ্বৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ কাৰ্যকালত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ কথা প্ৰকাশ পাইছে। এয়া অৱশ্যে নতুন অভিযোগ নহয়। বিশ্বজিৎ দৈমাৰী অধ্যক্ষ হৈ থকা সময়তে অসম বিধানসভা সচিবালয়ত জধে-মধে নিয়ম-নীতি নমনাকৈ দিয়া নিযুক্তি, সৌন্দৰ্যবৰ্ধনকে ধৰি কেতবোৰ বিষয়ত অপ্ৰয়োজনীয়ভাৱে ব্যাপক হাৰত ৰাজকোষৰ ধন ব্যয়কে ধৰি আন কেতবোৰ অনিয়ম সংঘটিত হোৱাৰ কথা সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। কিন্তু এই বিষয়টোত বিধিগত কাৰণতে হওক নতুবা আন কাৰণতেই হওক চৰকাৰে কোনো গুৰুত্ব দিয়াটো সৰ্বসাধাৰণ ৰাইজৰ দৃষ্টিগোচৰ হোৱা নাছিল। শেহতীয়াভাৱে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে অসম বিধানসভাৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি বিধানসভাৰ সচিবসহ অৱসৰৰ পিছতো কাৰ্যকাল বৃদ্ধি কৰি কৰ্মত নিয়োজিত হৈ থকা বিষয়া-কৰ্মচাৰীসকলক ছাটাই আৰম্ভ কৰাৰ পিছত পোহৰলৈ অহা ঘটনাৰাজিয়ে সৰ্বসাধাৰণ ৰাইজৰ চকু কপালত তুলিছে। অভিযোগ অনুসৰি বিশ্বজিৎ দৈমাৰীৰ কাৰ্যকালত অসম বিধানসভা সচিবালয়ত সংঘটিত হৈছিল কোটি কোটি টকাৰ দুৰ্নীতি। অকল নিযুক্তিৰ ক্ষেত্ৰতেই নহয়, গৃহ নিৰ্মাণৰ পৰা আৰম্ভ কৰি খাদ্য যোগানলৈকে সকলো ক্ষেত্ৰতে বিশ্বজিৎ দৈমাৰী অধ্যক্ষ হৈ থকা কালছোৱাত অসম বিধানসভা সচিবালয়ত সীমাহীন দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। তদানীন্তন অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অ'এছডি হিচাপে কৰ্মৰত সৌমেন বৰুৱা, চাৰ্টাৰ্ড একাউনটেণ্ট এণ্টিমা চেৰাউগীৰ পৰিকল্পনাত সচিব দুলাল পেগুৰ সহযোগিতাত বিধানসভা সচিবালয়ত এই দুৰ্নীতি সংঘটিত হোৱাৰ কথা পোহৰলৈ আহিছে। আছাম পাব্লিক ৱৰ্কছ নামৰ সংগঠনটোৱে সংবাদমেল অনুষ্ঠিত কৰি বিশ্বজিৎ দেমাৰী অধ্যক্ষ হৈ থকা কালছোৱাত বিধানসভা সচিবালয়ত ব্যাপক অনিয়ম, লুণ্ঠনৰাজ চলাৰ অভিযোগ তুলিছে। চাকৰিৰ পৰা অপসাৰিত হোৱাৰ পিছত পূৰ্বৰ সচিব দুলাল পেগুৱেও মুখ খুলিছে। পেগুৱে কৈছে যে তেওঁ যি কৰিছিল সকলো অধ্যক্ষৰ নিৰ্দেশতে কৰিছিল।

অসম বিধানসভা সচিবালয়ত সংঘটিত দুৰ্নীতিৰ অভিযোগ, স্বাভাৱিকতে এক গুৰুত্বপূৰ্ণ আৰু উদ্বেগৰ বিষয়। যিখন বিধানসভাই ৰাজ্যৰ জনসাধাৰণৰ বাবে আইন প্ৰণয়ন কৰে, যিখন বিধানসভাই কাৰ্যত জনপ্ৰতিনিধিসকলৰ কাম-কাজ, চৰকাৰৰ কাম-কাজ নিৰীক্ষণ কৰে সেইখন বিধানসভাৰ সচিবালয়তে খোদ অধ্যক্ষৰ পৃষ্ঠপোষকতাত ৰাজকোষৰ কোটি কোটি টকা লুণ্ঠনৰ অভিযোগ তেনেই সাধাৰণ অভিযোগ নহয়। এই অভিযোগৰ উচিত তদন্ত হোৱাতো বিচাৰিছে ৰাইজে। অসম বিধানসভাৰ অধ্যক্ষই এখন উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰি এই অভিযোগৰ ক্ষিপ্ৰ আৰু নিৰপেক্ষ তদন্ত কৰা উচিত। একে সময়তে এই দুৰ্নীতিত জড়িত ৰাজনৈতিক নেতায়েই হওক নতুবা বিষয়াজনেই হওক, সকলো ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্ছনীয়। নহ'লে ৰাইজে ক্ষমা নকৰিব, নিৰপেক্ষতাক লৈ সদায় প্ৰশ্ন উত্থাপন হৈ থাকিব।

"গুৱাহাটীৰ এই দুৰৱস্থাৰ আঁৰত প্ৰাকৃতিক কাৰণতকৈ মানৱসৃষ্ট কাৰণসমূহ বেছি জগৰীয়া। চহৰখনৰ চাৰিওফালে পাহাৰ থকাৰ বাবে ইয়াৰ ভৌগোলিক অৱস্থাই প্ৰদূষিত বতাহ সহজে ওলাই যোৱাত বাধা দিয়ে সঁচা; কিন্তু প্ৰকৃত সমস্যাটো হৈছে প্ৰদূষণৰ উৎসসমূহৰ নিয়ন্ত্ৰণহীনতা। উন্নয়নৰ নামত চলি থকা উৰণ সেতুৰ নিৰন্তৰ আৰু অবৈজ্ঞানিক নিৰ্মাণকাৰ্য, প্ৰয়োজনীয় পৰিৱেশগত সমীক্ষা নোহোৱাকৈ কৰা পাহাৰ খনন আৰু গছ-গছনিৰ অবাধ ধ্বংসযজ্ঞই মহানগৰীখনক এখন ধূলিৰ চহৰলৈ ৰূপান্তৰিত কৰিছে। আনহাতে, শেহতীয়াকৈ ডিচেম্বৰ ২০২৫ত 'আইফৰেষ্ট' নামৰ প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা এক গভীৰ গৱেষণামূলক প্ৰতিবেদন অনুসৰি, গুৱাহাটীত প্ৰতিদিনে সৃষ্টি হোৱা প্ৰায় ৮৮৪ টন পৌৰ আৱৰ্জনাৰ প্ৰায় ৬৫ শতাংশই মুকলিকৈ পেলোৱা হয় আৰু ইয়াৰ কোনো বিজ্ঞানসন্মত প্ৰক্ৰিয়াকৰণ কৰা নহয়। বৰাগাঁৱৰ দৰে আৱৰ্জনা পেলোৱা স্থানসমূহৰ পৰা নিৰ্গত হোৱা বৃহৎ পৰিমাণৰ মিথেন গেছ আৰু মুকলিকৈ আৱৰ্জনা জ্বলোৱাৰ ফলত সৃষ্টি হোৱা বিষাক্ত ধোঁৱাই সমগ্ৰ চহৰখনৰ বায়ুমণ্ডল বিষাক্ত কৰি তুলিছে। ইয়াৰ লগতে মহানগৰীৰ অভূতপূৰ্ব যান-জঁট আৰু পুৰণি তথা ত্ৰুটিপূৰ্ণ বাহনৰ পৰা নিৰ্গত ধোঁৱাই পৰিস্থিতি অধিক শোচনীয় আৰু নিয়ন্ত্ৰণহীন কৰি তুলিছে। এনে এক স্পৰ্শকাতৰ আৰু ভয়াৱহ সময়তো চৰকাৰ তথা প্ৰশাসনৰ ভূমিকা অতিশয় হতাশজনক আৰু নিৰ্লিপ্ত।"

# পৰিৱেশ প্ৰদূষণ

## প্ৰশাসনৰ হেমাহি আৰু নাগৰিকৰ কৰ্তব্য

চন্দন কুমাৰ নাথ

এসময়ত চৌদিশে সেউজীয়া পাহাৰ আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক সৌন্দৰ্যৰে আবৃত্ত গুৱাহাটী মহানগৰী আজি এক ভয়ংকৰ পৰিৱেশ ত্ৰাসৰ সন্মুখীন হৈছে। শেহতীয়া তথ্য আৰু পৰিসংখ্যাসমূহ পৰ্যবেক্ষণ কৰি মই গভীৰ উদ্বেগ প্ৰকাশ কৰিবলৈ বাধ্য হৈছো, কিয়নো এই পৰিসংখ্যাসমূহে এক অতিশয় ভয়ংকৰ চিত্ৰ দাঙি ধৰিছে যিয়ে প্ৰতিগৰাকী সচেতন নাগৰিকৰ অন্তৰত শংকাৰ সৃষ্টি কৰিব। বায়ুৰ গুণাগুণ সূচকাংক অৰ্থাৎ এ কিউ আই (AQI) অভাৱনীয়ভাৱে বৃদ্ধি পাই গুৱাহাটী আজি বিশ্বৰ অন্যতম প্ৰদূষিত চহৰ হিচাপে পৰিগণিত হৈছে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিবেদন, যেনে ছুইজাৰলেণ্ডৰ 'আই কিউ এয়াৰ'ৰ (IQAir) শেহতীয়া তথ্য অনুসৰি, গুৱাহাটীৰ বায়ুত পি এম ২.৫ (PM2.5)ৰ মাত্ৰা বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্ধাৰিত সুৰক্ষিত মাত্ৰাতকৈ প্ৰায় ২০ গুণে বেছি।

শেহতীয়াকৈ মহানগৰীৰ বিভিন্ন স্থানত এ কিউ আই ক্ৰমাগতভাৱে ২০০ৰ পৰা ৩০০ৰ ঘৰ অতিক্ৰম কৰিছে, যাক চিকিৎসা বিজ্ঞানৰ ভাষাত 'অস্বাস্থ্যকৰ' আৰু 'বিপজ্জনক' বুলি গণ্য কৰা হয়। এই পৰিস্থিতিত বৰ্তমান গুৱাহাটীৰ বতাহ সেৱন কৰাটো দিনটোত ৩-৪ টাকৈ চিগাৰেট খোৱাৰ সমতুল্য হৈ পৰিছে। এয়া কেৱল বাতৰি কাকতৰ এটা সাধাৰণ পৰিসংখ্যা নহয়, ই সমগ্ৰ অসমৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অশনি সংকেত। প্ৰদূষণৰ এই ভয়াৱহ মাত্ৰাই জনস্বাস্থ্যৰ ওপৰত কেনে বিৰূপ আৰু ধ্বংসাত্মক প্ৰভাৱ পেলাইছে, তাৰ জ্বলন্ত প্ৰমাণ শেহতীয়া চিকিৎসা প্ৰতিবেদনসমূহত অতি স্পষ্ট হৈ পৰিছে। ২০২৬ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ সংবাদ মাধ্যমত প্ৰকাশিত এক উদ্বেগজনক বাতৰি অনুসৰি, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শ্বাস-প্ৰশ্বাসজনিত ৰোগ (Acute Respiratory Illness) আৰু এলাৰ্জীত আক্ৰান্ত ৰোগীৰ সংখ্যা অস্বাভাৱিকভাৱে ১০ শতাংশ বৃদ্ধি পাইছে। বিশেষজ্ঞ চিকিৎসকসকলে স্পষ্টভাৱে আঙুলিয়াই দিছে যে এই ৰোগীৰ সংখ্যা বৃদ্ধিৰ মূল কাৰণ হৈছে মহানগৰীৰ বতাহত মিহলি হৈ থকা বিষাক্ত ধূলিকণা আৰু আৱৰ্জনাৰ ধোঁৱা। শিশু, গৰ্ভৱতী মহিলা আৰু বৃদ্ধ লোকসকল এই পৰিস্থিতিৰ আটাইতকৈ ডাঙৰ বলি হৈছে। পি এম ২.৫ আৰু পি এম ১০ৰ দৰে সূক্ষ্ম কণিকাসমূহ মানুহৰ হাওঁফাওঁৰ একেবাৰে গভীৰলৈ সোমাই গৈ ৰক্ত প্ৰবাহত মিহলি হ'ব পাৰে, যিয়ে দীৰ্ঘম্যাদী কেন্সাৰ, হাঁপানী আৰু হৃদৰোগৰ দৰে মাৰাত্মক ব্যাধিৰ সৃষ্টি কৰিব পাৰে। চিকিৎসা বিজ্ঞানীসকলৰ মতে, দীৰ্ঘদিন ধৰি এনে প্ৰদূষিত বায়ু গ্ৰহণ কৰাৰ ফলত শিশুসকলৰ মানসিক আৰু শাৰীৰিক বিকাশ বাধাগ্ৰস্ত হৈছে। এখন সুস্থ সমাজ অবিহনে এখন ৰাজ্যৰ উন্নয়ন অসম্ভৱ; কিন্তু গুৱাহাটীৰ বৰ্তমানৰ বিষাক্ত পৰিৱেশে আমাৰ সাধাৰণ নাগৰিকসকলক তিলে তিলে মৃত্যুৰ মুখলৈ ঠেলি দিছে।



গুৱাহাটীৰ এই দুৰৱস্থাৰ আঁৰত প্ৰাকৃতিক কাৰণতকৈ মানৱসৃষ্ট কাৰণসমূহ বেছি জগৰীয়া। চহৰখনৰ চাৰিওফালে পাহাৰ থকাৰ বাবে ইয়াৰ ভৌগোলিক অৱস্থাই প্ৰদূষিত বতাহ সহজে ওলাই যোৱাত বাধা দিয়ে সঁচা; কিন্তু প্ৰকৃত সমস্যাটো হৈছে প্ৰদূষণৰ উৎসসমূহৰ নিয়ন্ত্ৰণহীনতা। উন্নয়নৰ নামত চলি থকা উৰণ সেতুৰ নিৰন্তৰ আৰু অবৈজ্ঞানিক নিৰ্মাণকাৰ্য, প্ৰয়োজনীয় পৰিৱেশগত সমীক্ষা নোহোৱাকৈ কৰা পাহাৰ খনন আৰু গছ-গছনিৰ অবাধ ধ্বংসযজ্ঞই মহানগৰীখনক এখন ধূলিৰ চহৰলৈ ৰূপান্তৰিত কৰিছে। আনহাতে, শেহতীয়াকৈ ডিচেম্বৰ ২০২৫ত 'আইফৰেষ্ট' (iFOREST) নামৰ প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা এক গভীৰ গৱেষণামূলক প্ৰতিবেদন অনুসৰি, গুৱাহাটীত প্ৰতিদিনে সৃষ্টি হোৱা প্ৰায় ৮৮৪ টন পৌৰ আৱৰ্জনাৰ প্ৰায় ৬৫ শতাংশই মুকলিকৈ পেলোৱা হয় আৰু ইয়াৰ কোনো বিজ্ঞানসন্মত প্ৰক্ৰিয়াকৰণ কৰা নহয়। বৰাগাঁৱৰ দৰে আৱৰ্জনা পেলোৱা স্থানসমূহৰ পৰা নিৰ্গত হোৱা বৃহৎ পৰিমাণৰ মিথেন গেছ আৰু মুকলিকৈ আৱৰ্জনা জ্বলোৱাৰ ফলত সৃষ্টি হোৱা বিষাক্ত ধোঁৱাই সমগ্ৰ চহৰখনৰ বায়ুমণ্ডল বিষাক্ত কৰি তুলিছে। ইয়াৰ লগতে মহানগৰীৰ অভূতপূৰ্ব যান-জঁট আৰু পুৰণি তথা ত্ৰুটিপূৰ্ণ বাহনৰ পৰা নিৰ্গত ধোঁৱাই পৰিস্থিতি অধিক শোচনীয় আৰু নিয়ন্ত্ৰণহীন কৰি তুলিছে। এনে এক স্পৰ্শকাতৰ আৰু ভয়াৱহ সময়তো চৰকাৰ তথা প্ৰশাসনৰ ভূমিকা অতিশয় হতাশজনক আৰু নিৰ্লিপ্ত। চৰকাৰে মাজে-সময়ে বৈদ্যুতিক বাছ (EV) প্ৰৱৰ্তন

■ ১০ পৃষ্ঠাত

*জীৱ-বৈচিত্ৰ্যই মানুহৰ জীৱনৰ বিভিন্ন দিশত অৰিহণা যোগায়, যেনে কৃষি, ঔষধ, উদ্যোগ আৰু পৰ্যটন। কৃষিৰ ক্ষেত্ৰত জীৱ-বৈচিত্ৰ্যই বিভিন্ন জাতৰ শস্য আৰু প্ৰাণীৰ জিনীয় সম্পদ প্ৰদান কৰে, যি খাদ্যৰ উৎপাদন বৃদ্ধি আৰু ৰোগৰ প্ৰতিৰোধ ক্ষমতাৰ বাবে প্ৰয়োজনীয়। ঔষধৰ ক্ষেত্ৰতো জীৱ-বৈচিত্ৰ্যই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিয়নো বহুতো ঔষধৰ মূল উপাদান উদ্ভিদ আৰু প্ৰাণীৰ পৰা পোৱা যায়। এই জিনীয় সম্পদৰ সংৰক্ষণৰ জৰিয়তে ভৱিষ্যতৰ ঔষধৰ উৎস সুৰক্ষিত কৰা সম্ভৱ। ইয়াৰ উপৰি জীৱ-বৈচিত্ৰ্যই পৰ্যটনৰ ক্ষেত্ৰতো অৰ্থনৈতিক সুবিধা প্ৰদান কৰে। প্ৰাকৃতিক সৌন্দৰ্য আৰু বিভিন্ন প্ৰজাতিৰ জীৱৰ অস্তিত্বই পৰ্যটকক আকৰ্ষণ কৰে, যি স্থানীয় অৰ্থনীতিৰ বাবে লাভজনক। কিন্তু জীৱ-বৈচিত্ৰ্যৰ ক্ষতিয়ে এই সকলো অৰ্থনৈতিক সম্পদৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে। উদাহৰণস্বৰূপে, জিনীয় সম্পদৰ ক্ষতিয়ে কৃষিৰ উৎপাদনশীলতা হ্ৰাস কৰিব পাৰে, আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ ক্ষতিয়ে পৰ্যটনৰ আয় হ্ৰাস কৰিব পাৰে। সেয়েহে, জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ জৰিয়তে এই অৰ্থনৈতিক আৰু সামাজিক সুবিধাসমূহ সুৰক্ষিত কৰা সম্ভৱ।*



# জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু ইয়াৰ গুৰুত্ব

হিমাংশু ৰণ্জন ভূঞা

জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ পৃথিৱীৰ জীৱনৰ ভিত্তি সুৰক্ষিত কৰাৰ এক অপৰিহাৰ্য পদক্ষেপ। জীৱ-বৈচিত্ৰ্যই পৃথিৱীৰ সকলো জীৱৰ মাজত থকা বিভিন্নতাৰ এক বিশাল সমাহাৰক বুজায়, য'ত উদ্ভিদ, প্ৰাণী, অণুজীৱ আৰু তেওঁলোকৰ পৰিৱেশৰ মাজৰ জটিল সম্পৰ্ক অন্তৰ্ভুক্ত। এই বৈচিত্ৰ্যই পৃথিৱীৰ পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰে আৰু জীৱনৰ অস্তিত্বৰ বাবে এক সুস্থিৰ ভিত্তি প্ৰদান কৰে। জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ অৰ্থ হ'ল এই বিভিন্নতাক সুৰক্ষিত কৰা, যাতে পৰিৱেশৰ স্বাস্থ্য, মানুহৰ জীৱনৰ মান আৰু ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষা নিশ্চিত হয়। এই সংৰক্ষণৰ প্ৰয়োজনীয়তা কেৱল পৰিৱেশৰ সৌন্দৰ্য বা জীৱজগতৰ বিস্ময়ৰ বাবেই নহয়, বৰঞ্চ ইয়াৰ সংৰক্ষণ অবিহনে পৃথিৱীৰ জীৱনৰ অস্তিত্বই সংকটৰ সন্মুখীন হ'ব পাৰে। জীৱ-বৈচিত্ৰ্যই পৰিৱেশতন্ত্ৰৰ সেৱা প্ৰদান কৰে, যেনে খাদ্য, পানী, বায়ুৰ বিশুদ্ধতা, মাটিৰ উৰ্বৰতা আৰু জলবায়ুৰ নিয়ন্ত্ৰণ। এই সেৱাসমূহৰ ওপৰত মানুহৰ জীৱন নিৰ্ভৰশীল আৰু সেইবাবেই জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ গুৰুত্ব অপৰিসীম। পৰিৱেশৰ স্থিৰতা ৰক্ষাৰ বাবে জীৱ-বৈচিত্ৰ্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, কিয়নো ই পৰিৱেশতন্ত্ৰৰ মধ্যৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ জালৰ জৰিয়তে জীৱনৰ



চক্ৰক সচল ৰাখে। এই বিভিন্নতাৰ যিকোনো ক্ষতিয়ে পৰিৱেশৰ ভাৰসাম্য বিঘিনি ঘটাব পাৰে, যাৰ ফলত জলবায়ু পৰিৱৰ্তন, খাদ্যৰ অভাৱ, পানীৰ সংকট আৰু অন্যান্য পৰিৱেশজনিত সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়েহে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা কেৱল পৰিৱেশৰ বাবেই নহয়, মানৱ সমাজৰ স্থিৰতা আৰু সমৃদ্ধিৰ বাবেও অতি জৰুৰী।

পৰিৱেশ তন্ত্ৰৰ সুস্থিৰতা বজাই ৰাখিবলৈ জীৱ-বৈচিত্ৰ্যই এক অপৰিহাৰ্য ভূমিকা পালন কৰে। পৰিৱেশতন্ত্ৰত বিভিন্ন প্ৰজাতিৰ জীৱৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতাই ইয়াক শক্তিশালী আৰু স্থিতিস্থাপক কৰি ৰাখে। এই নিৰ্ভৰশীলতাৰ জৰিয়তে খাদ্য শৃংখল, পৰাগছা, মাটিৰ উৰ্বৰতা আৰু পানীৰ চক্ৰৰ মতো প্ৰক্ৰিয়া সচল হৈ থাকে। উদ্ভিদে পৰাগছাৰ জৰিয়তে ফল-ফুল উৎপাদন কৰে, যি প্ৰাণীৰ খাদ্যৰ উৎস হিচাপে কাম কৰে। একেদৰে, অণুজীৱই মাটিৰ উৰ্বৰতা বজাই ৰাখে, যি কৃষিৰ বাবে অতি প্ৰয়োজনীয়। যদি এই প্ৰজাতিৰ যিকোনো এটাৰ ক্ষতি হয়, তেন্তে গোটেই পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য বিঘ্নিত হ'ব পাৰে। উদাহৰণস্বৰূপে, পৰাগছাৰ ক্ষতিয়ে ফল-ফুলৰ উৎপাদনত প্ৰভাৱ পেলাব পাৰে, যি মানুহৰ খাদ্যৰ উৎসৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাব। এইদৰে, জীৱ-বৈচিত্ৰ্যই পৰিৱেশতন্ত্ৰৰ স্থিতিস্থাপকতা বজাই ৰাখে, যি পৃথিৱীৰ প্ৰাকৃতিক প্ৰক্ৰিয়াৰ সঠিক কাৰ্যকাৰিতাৰ বাবে অতি জৰুৰী। জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ জৰিয়তে এই পৰিৱেশতন্ত্ৰৰ সেৱাসমূহ সুৰক্ষিত কৰা হয়, যি মানুহৰ জীৱনৰ মান উন্নত কৰাৰ লগতে পৰিৱেশৰ স্বাস্থ্য ৰক্ষাৰ বাবেও প্ৰয়োজনীয়। সংৰক্ষণৰ অভাৱত পৰিৱেশতন্ত্ৰৰ এই সেৱাসমূহৰ ক্ষতি হ'ব পাৰে, যি মানৱ সমাজৰ বাবে দীৰ্ঘম্যাদীভাৱে ক্ষতিকাৰক হ'ব। সেয়েহে, জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰচেষ্টা পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য ৰক্ষাৰ বাবে এক অপৰিহাৰ্য পদক্ষেপ।

জীৱ-বৈচিত্ৰ্যই মানুহৰ জীৱনৰ বিভিন্ন দিশত অৰিহণা যোগায়, যেনে কৃষি, ঔষধ, উদ্যোগ আৰু পৰ্যটন। কৃষিৰ ক্ষেত্ৰত জীৱ-বৈচিত্ৰ্যই বিভিন্ন জাতৰ শস্য আৰু প্ৰাণীৰ জিনীয় সম্পদ প্ৰদান কৰে, যি খাদ্যৰ উৎপাদন বৃদ্ধি আৰু ৰোগৰ প্ৰতিৰোধ ক্ষমতাৰ বাবে প্ৰয়োজনীয়। ঔষধৰ ক্ষেত্ৰতো জীৱ-বৈচিত্ৰ্যই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিয়নো বহুতো ঔষধৰ মূল উপাদান উদ্ভিদ আৰু প্ৰাণীৰ পৰা পোৱা যায়। এই জিনীয় সম্পদৰ সংৰক্ষণৰ জৰিয়তে ভৱিষ্যতৰ ঔষধৰ উৎস সুৰক্ষিত কৰা সম্ভৱ। ইয়াৰ উপৰি জীৱ-বৈচিত্ৰ্যই পৰ্যটনৰ ক্ষেত্ৰতো অৰ্থনৈতিক সুবিধা প্ৰদান কৰে। প্ৰাকৃতিক সৌন্দৰ্য আৰু বিভিন্ন প্ৰজাতিৰ জীৱৰ অস্তিত্বই পৰ্যটকক আকৰ্ষণ কৰে, যি স্থানীয় অৰ্থনীতিৰ বাবে লাভজনক। কিন্তু জীৱ-বৈচিত্ৰ্যৰ ক্ষতিয়ে এই সকলো অৰ্থনৈতিক সম্পদৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে। উদাহৰণস্বৰূপে, জিনীয় সম্পদৰ ক্ষতিয়ে কৃষিৰ উৎপাদনশীলতা হ্ৰাস কৰিব পাৰে, আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ ক্ষতিয়ে পৰ্যটনৰ আয় হ্ৰাস কৰিব পাৰে। সেয়েহে, জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ জৰিয়তে এই অৰ্থনৈতিক আৰু সামাজিক সুবিধাসমূহ সুৰক্ষিত কৰা সম্ভৱ। ইয়াৰ উপৰি জীৱ-বৈচিত্ৰ্যই সাংস্কৃতিক আৰু আধ্যাত্মিক দিশতো গুৰুত্বপূৰ্ণ। বহু সম্প্ৰদায়ৰ বাবে প্ৰকৃতি আৰু জীৱজগতৰ সৈতে গভীৰ সাংস্কৃতিক সম্পৰ্ক থাকে আৰু জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণে এই সম্পৰ্কক‌ো সুৰক্ষিত কৰে। এইদৰে, জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ মানৱ সমাজৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক স্থিতিস্থাপকতাৰ বাবে অতি প্ৰয়োজনীয়।

জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে পৰিৱেশতন্ত্ৰৰ সুৰক্ষাৰ প্ৰয়োজন। পৰিৱেশতন্ত্ৰৰ সুৰক্ষাৰ অৰ্থ হ'ল জীৱৰ বাসস্থান, খাদ্যৰ উৎস আৰু প্ৰজননৰ পৰিৱেশ সুৰক্ষিত কৰা। বনাঞ্চল, জলাশয়, নদী-নৰ্দমা, পৰ্বত আৰু অন্যান্য প্ৰাকৃতিক পৰিৱেশৰ সংৰক্ষণৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সুৰক্ষা সম্ভৱ। কিন্তু আধুনিক জীৱনশৈলীৰ ফলত বনাঞ্চল ধ্বংস, পানীৰ প্ৰদূষণ, মাটিৰ ক্ষয় আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে সমস্যাই জীৱ-বৈচিত্ৰ্যৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাইছে। এই সমস্যাসমূহৰ ফলত বহু প্ৰজাতি বিলুপ্তিৰ সন্মুখীন হৈছে আৰু পৰিৱেশতন্ত্ৰৰ সেৱাৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰিছে। সংৰক্ষণৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ ভিতৰত বনাঞ্চল পুনৰুদ্ধাৰ, প্ৰদূষণ নিয়ন্ত্ৰণ, সংৰক্ষিত অঞ্চলৰ প্ৰতিষ্ঠা আৰু টেকসই উন্নয়নৰ পদক্ষেপ অন্তৰ্ভুক্ত। বনাঞ্চল পুনৰুদ্ধাৰৰ জৰিয়তে জীৱৰ বাসস্থান পুনৰ স্থাপন কৰা সম্ভৱ আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ জৰিয়তে পানী আৰু মাটিৰ গুণাগুণ সুৰক্ষিত কৰা যায়। সংৰক্ষিত অঞ্চলৰ প্ৰতিষ্ঠাই জীৱৰ বাবে নিৰাপদ পৰিৱেশ প্ৰদান কৰে, য'ত তেওঁলোকে অবাধে বংশবৃদ্ধি কৰিব পাৰে। ইয়াৰ উপৰি টেকসই উন্নয়নৰ জৰিয়তে মানুহৰ প্ৰয়োজন আৰু পৰিৱেশৰ সুৰক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰা সম্ভৱ। এই পদক্ষেপসমূহৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ সম্ভৱ, যি পৰিৱেশতন্ত্ৰৰ স্বাস্থ্যৰ বাবে অতি জৰুৰী।

মানুহৰ কাৰ্যকলাপৰ ফলত জীৱ-বৈচিত্ৰ্যৰ ওপৰত যি নেতিবাচক প্ৰভাৱ পৰিছে, তাৰ প্ৰতি সচেতনতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়। শিক্ষা, প্ৰচাৰ আৰু সম্প্ৰদায়ৰ সহভাগিতাৰ জৰিয়তে এই সচেতনতা বৃদ্ধি কৰা সম্ভৱ। শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মক জীৱ-বৈচিত্ৰ্যৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণৰ

■ ১০ পৃষ্ঠাত

# তোমালৈ

মেৰী বৰদলৈ

আজি কি উপহাৰে অলংকৃত
কৰিম তোমাক,
আজিচোন
তুমি নিজে নিজৰ
এটি সৰগী উপহাৰ।
আজি তোমাৰ নামকৈ
আকাশতো ফুলিছে
জোনাকী ফুল
এআকাশ।
আজিৰ দিনটোতেই তুমি
আইৰ কোলাত
ভৰাই তুলিছিলা
অন্তহীন প্ৰেমৰ
এসাগৰ চিৰশাশ্বত মিঠা সুবাস।
আজি তোমাৰ
বিশেষ দিনৰ শুভক্ষণটি
অবিস্মৰণীয় হৈ ৰওক
প্ৰতিপল সুখী হৈ ৰোৱা
মনৰ জোখাৰে।
অনাগত প্ৰতিমুহূৰ্তই
কঢ়িয়াই আনক মনে বিচৰাধৰণে
তোমাৰ জীৱনলৈ
সুখ সমৃদ্ধি অনাবিল আনন্দৰ
বন্যা।
তোমাৰ বিশেষ দিনত
দূৰণিৰ পৰাই
তোমালৈ মোৰ বুকুভৰা
হাজাৰ ভালপোৱা
অলেখ শুভকামনা যাচিলো তোমাক
আশাকৰোঁ আঁকোৱালি ল'বা।
কাষত নাথাকিলেও
দেখা নাপালেও
মোৰ উশাহ থকালৈ
ৰাখিম সযতনে বুকুতে সদায়।







# এজনী কাৰ্বি ছোৱালীৰ প্ৰেমত বন্ধু

বলীন বৰদলৈ

বন্ধু, নাভাবিবা তুমি
মই তোমাৰ পৰা প্ৰেমৰ সংজ্ঞা বিচাৰিছো বুলি
তুমি কি কৈছা ঠিক মই নুবুজিলো
তোমাৰচোন অহা ব'হাগত বিয়া হোৱাৰ কথা
এতিয়াওচোন তোমাৰ মুখত প্ৰেমৰ কথাৰে সুগন্ধ।
তুমি নিজেও জানা সেই সহজ সৰল পাহাৰৰ
কাৰ্বি ছোৱালীজনী কেতিয়াও নিজৰ কৰিব নোৱাৰা
তথাপিও বাৰে বাৰে কিয় তুমি
মিছা অভিনয়েৰে জয় কৰিছা
তাইৰ সঁচা কোমল অন্তৰখনি,
ময়ো জানো যে তুমিও এজন দুৰন্ত প্ৰেমিক।
যিবোৰ কথা মই তোমাক সুধিছো
তুমি জানো তাইক কেতিয়াবা কাণ চোৰাইছা
নোকোৱা যে সেইটো খাটাং
ক'লে তাই তোমাৰ ওপৰত থকা
বিশ্বাস আৰু আস্থাখিনি হেৰুৱাই পেলাব
অচিৰেই হেৰুৱাই পেলাব
সিংহাসন পাহাৰৰ কাৰ্বি ছোৱালীজনীয়ে।
তথাপিও বন্ধু কওঁ শুনা
তুমি যে মোৰ কথা নুশুনা, নুবুজা, নামানা
অন্ততঃ কেতিয়াবা উপলব্ধি কৰিবা
মই ঠিক কথাই কৈছিলো।
এতিয়া তোমাক কাৰোবাৰ নিবিড় সান্নিধ্যই
বলিয়া কৰাৰ দিন নাই,
বন্ধু, তুমিয়েইতো কৈছিলা অহা ব'হাগত
তোমাৰ বিয়া, তেনে নিমাষিত কাৰ্বি ছোৱালীজনীক
কিয় মিছাতে অন্তৰ দি ছলনা কৰিছা?

# বৰ্ষামুখৰ গান

সত্যজিৎ গগৈ


আকাশে নীলা চাদৰখন খুলি
মেঘৰ কলমে দুখৰ চিঠি লিখিছে
বতাহে ভিজা বাঁহীৰ সুৰত
পথাৰৰ জোনাকৰ দৰে কঁপিছে।

টোপটোপ বৰষুণৰ শব্দত গাঁওখন জাগি উঠে
শুকান মাটিৰ বুকুত নতুন সপোন গজে
নদীয়ে ঢৌৰ আঁচল উৰুৱাই হাঁহে
পক্ষীৰ ডেউকাত সেউজীয়া সপোন লুকাই থাকে।

পাতত ওলমি থাকে কাচৰ দৰে টোপাল
প্ৰতিটো টোপালত যেন আকাশৰ নীৰৱ কোৰ্হাল
মাটিৰ আলিত চপচপীয়া সুৰ এটা বাজে
গাঁৱলীয়া সন্ধিয়াটোত অলপ মৰম বাঢ়ে।

শিশুৰ হাঁহিত জিলিকে পথাৰৰ সেউজীয়া ঢৌ
বৰষাই যেন মুকলি কৰে হৃদয়ৰ গোপন মৌ
দূৰণিৰ গাঁওখনত কুঁৱলীয়ে সপোন ৰচে
ভিজা আকাশৰ তলত সময় নীৰৱে সৰে।





# যৌৱনৰ আবেদন


মৰমী আহমেদ

যৌৱনৰ ৰঙা হাঁহিটিলৈ
কিয়নো ইমানকৈ চকু দিয়?

জাগি উঠা চঞ্চল শিহৰণত
কামুক কিয় তোৰ স্নেহ?

এৰি দেচোন
তোৰ সেই পিয়াসী দৃষ্টি,

লাজুক লাজুক ভাবনাৰে
চেপি ৰাখ উত্ৰাৱলী যৌৱনৰ
লজ্জিত প্ৰবৃত্তি।



# মানুহবোৰ যদি মানুহেই নহ'লহেঁতেন

বনজিত দাস

ক'ব পাৰিবানে বাৰু
মানুহবোৰ কিমান নৰাধম হ'লে
আপোনজনক হত্যা কৰিব পাৰে
কিমান পশুতুল্য হ'লে
প্ৰকৃতিৰ বন-বননি জ্বলাই শেষ কৰিব পাৰে
মানুহবোৰ যদি মানুহেই নহ'লহেঁতেন!

ক'ব পাৰিবানে বাৰু
কিমান মানুহ অমানুহ হ'লে
জ্বলাই দিব পাৰে জীয়া জীয়া মানুহ
জ্বলাব পাৰে মোলাই কাঠনিবাৰী
মানুহ বাৰু পিশাচৰ দৰেই
হাঁহিব পাৰেনে হত্যা কৰি
মানুহবোৰ যদি মানুহেই নহ'লহেঁতেন!

ধৰ্মৰ বাবেই যদি মানুহ হত্যা হয়
সিটো বাৰু কোন ধৰ্ম কয়।
ক'ব পাৰিবনে বাৰু
কিমান ত্যাগৰ বিনিময়ত
মুকলি আকাশত তলত জিৰাব পাৰি
মুখামুখিকৈ বহি লৈ
অন্তৰে অন্তৰলৈ বৈ যায় নদী
হৃদয় জিনিবলৈ কিমান বাকী
কাৰ বাবে হেৰাই মাটি
কোনে কাঢ়ি নিলে সুৰীয়া বাঁহী?
মানুহবোৰ যদি মানুহেই নহ'লহেঁতেন!

# ভাৰতীয় পুতলা নাচৰ এক নতুন দিশ

সীমান্ত শৰ্মা



পুতলা নাচ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এক অতি প্ৰাচীন আৰু সমৃদ্ধ অভিনয় কলা। এই কলা কেৱল বিনোদনৰ মাধ্যম নহয়; ই সমাজৰ চিন্তা-চেতনা, বিশ্বাস, নৈতিকতা আৰু জীৱন দৰ্শনৰ এক জীৱন্ত প্ৰতিফলন। যুগে যুগে পুতলা নাচে মানুহৰ হৃদয় স্পৰ্শ কৰি সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শিক্ষা, ধৰ্ম, সামাজিক সচেতনতা, বিজ্ঞান, স্বাস্থ্য আৰু লোকসংস্কৃতিৰ সৈতে এই কলাৰ গভীৰ সম্পৰ্ক আছে। আধুনিক যুগত পৰম্পৰা আৰু প্ৰযুক্তিৰ সংযোগৰ জৰিয়তে ভাৰতীয় পুতলা নাচে এক নতুন দিশ লাভ কৰিছে।

ভাৰতীয় পুতলা নাচৰ ইতিহাস অতি প্ৰাচীন। সংস্কৃত সাহিত্য, বিশেষকৈ নাট্যশাস্ত্ৰত 'সূত্ৰধাৰ' শব্দৰ উল্লেখ পোৱা যায়। 'সূত্ৰধাৰ' মানে হৈছে সূতাৰ সহায়ত চৰিত্ৰসমূহ নিয়ন্ত্ৰণ কৰা ব্যক্তি। এই ধাৰণাই জীৱনক এক অদৃশ্য সূতাৰে নিয়ন্ত্ৰিত পুতলাৰ সৈতে তুলনা কৰি ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ গভীৰতা প্ৰকাশ কৰে। পঞ্চতন্ত্ৰ, কথাসৰিৎ সাগৰ, হিতোপদেশ আৰু বুঢ়ী আইৰ সাধুৰ দৰে সাহিত্যতো পুতলাসদৃশ কাহিনী গঠন দেখা যায়, যিয়ে পুতলা নাচক গল্পকথনৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰে।

পুৰাতাত্ত্বিক তথ্য আৰু লোক পৰম্পৰাৰ পৰা জনা যায় যে আনুষ্ঠানিক নাট্যকলাৰ বিকাশৰ আগতেই ধৰ্মীয় আচাৰ-অনুষ্ঠান, পূজা-পাঠ আৰু লোককাহিনী প্ৰচাৰত পুতলা ব্যৱহাৰ কৰা হৈছিল। মন্দিৰ উৎসৱ, ৰাজদৰবাৰৰ বিনোদন আৰু গাঁও-মেলাত পুতলা নাচে বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল। এই মাধ্যমৰ জৰিয়তে ধৰ্মীয় বিশ্বাস, পৌৰাণিক কাহিনী আৰু সামাজিক নৈতিকতা সাধাৰণ মানুহৰ মাজত প্ৰচাৰিত হৈছিল।

**“প্ৰাচীন আৰু মধ্যযুগত ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ পুতলা নাচ বিকশিত হয়। ৰাজস্থানত 'কাঠপুতলী' বিশেষভাৱে জনপ্ৰিয় হৈ উঠে। কাঠৰে তৈয়াৰ কৰা এই পুতলাসমূহ সূতাৰ সহায়ত নিয়ন্ত্ৰণ কৰা হয়। ৰাজপুত বীৰত্ব, লোককথা আৰু ৰাজদৰবাৰৰ জীৱন এই পুতলা নাচৰ মূল বিষয়। কৰ্ণাটকত 'গোম্বেয়াট্টা', অন্ধ্ৰপ্ৰদেশত 'থোলু বোম্মালাটা' আৰু কেৰালাত 'থোলপাভাকুথু' নামৰ ছাঁ পুতলা নাচৰ বিকাশ ঘটে। পশ্চিমবংগ আৰু ওড়িশাত 'পুতুল নাচ' নামে দণ্ড পুতলা নাচ জনপ্ৰিয় হয়। অসমতো লোকভিত্তিক পুতলা পৰম্পৰাই সামাজিক আৰু ধৰ্মীয় কাহিনী প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।”**

প্ৰাচীন আৰু মধ্যযুগত ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ পুতলা নাচ বিকশিত হয়। ৰাজস্থানত 'কাঠপুতলী' বিশেষভাৱে জনপ্ৰিয় হৈ উঠে। কাঠৰে তৈয়াৰ কৰা এই পুতলাসমূহ সূতাৰ সহায়ত নিয়ন্ত্ৰণ কৰা হয়। ৰাজপুত বীৰত্ব, লোককথা আৰু ৰাজদৰবাৰৰ জীৱন এই পুতলা নাচৰ মূল বিষয়। কৰ্ণাটকত 'গোম্বেয়াট্টা', অন্ধ্ৰপ্ৰদেশত 'থোলু বোম্মালাটা' আৰু কেৰালাত 'থোলপাভাকুথু' নামৰ ছাঁ পুতলা নাচৰ বিকাশ ঘটে। পশ্চিমবংগ আৰু ওড়িশাত 'পুতুল নাচ' নামে দণ্ড পুতলা নাচ জনপ্ৰিয় হয়। অসমতো লোকভিত্তিক পুতলা পৰম্পৰাই সামাজিক আৰু ধৰ্মীয় কাহিনী প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

মধ্যযুগত বিশেষকৈ ভক্তি আন্দোলনৰ সময়ত পুতলা নাচ ধৰ্মীয় ভক্তি আৰু নৈতিক শিক্ষাৰ এক শক্তিশালী মাধ্যম হৈ পৰে। ৰামায়ণ, মহাভাৰত আৰু কৃষ্ণলীলা সাধাৰণ মানুহৰ মাজত পুতলা নাচৰ জৰিয়তে উপস্থাপন কৰা হৈছিল। সেই সময়ত পুতলা নাচ কেৱল বিনোদন নহয়, সামাজিক আৰু নৈতিক শিক্ষাৰো এক কাৰ্যকৰী মাধ্যম আছিল।

ঔপনিৱেশিক যুগত পাশ্চাত্য নাট্যশৈলী আৰু আধুনিক বিনোদনৰ প্ৰভাৱত পুতলা নাচে কিছু সংকটৰ সন্মুখীন হয়। তথাপি গ্ৰাম্য সমাজ আৰু লোকসংস্কৃতিত এই কলাই নিজৰ অস্তিত্ব বজাই ৰাখে। স্বাধীনতাৰ পিছত চৰকাৰী সাংস্কৃতিক প্ৰতিষ্ঠান, গৱেষক আৰু শিল্পীৰ প্ৰচেষ্টাত পুতলা নাচৰ পুনৰুজ্জীৱন ঘটে। সাংস্কৃতিক উৎসৱ, শিক্ষামূলক কাৰ্যসূচী আৰু জনসচেতনতামূলক অভিযানত পুতলা নাচ ব্যৱহাৰ কৰি এই কলাক নতুন জীৱন দিয়া হয়।

বৰ্তমান যুগত ভাৰতীয় পুতলা নাচে পৰম্পৰা আৰু আধুনিকতাৰ মাজত এক সুন্দৰ সেতুবন্ধন গঢ়ি তুলিছে। আধুনিক প্ৰযুক্তি, নতুন বিষয়বস্তু আৰু সামাজিক বাৰ্তাৰ সংযোগে পুতলা নাচক নতুন ৰূপ দিছে। শিক্ষা, স্বাস্থ্য সচেতনতা, পৰিৱেশ সুৰক্ষা, বিজ্ঞান জনপ্ৰিয়কৰণ, বিত্তীয় সাক্ষৰতা আৰু সামাজিক সংস্কাৰৰ ক্ষেত্ৰত পুতলা নাচ সফলভাৱে ব্যৱহৃত হৈছে। জটিল বিষয়সমূহ সহজ আৰু আনন্দদায়ক ৰূপত জনসাধাৰণৰ আগত উপস্থাপন কৰিব পৰা বাবে এই মাধ্যম পুনৰ সমাজত অত্যন্ত প্ৰাসংগিক হৈ উঠিছে।



ভাৰতৰ ভৌগোলিক আৰু সাংস্কৃতিক বৈচিত্ৰ্য পুতলা নাচতো স্পষ্টভাৱে প্ৰতিফলিত হয়। ৰাজস্থানৰ কাঠপুতলী ৰাজকীয় জীৱন আৰু বীৰগাথা প্ৰতিফলিত কৰে। পশ্চিমবংগৰ 'পুতুল নাচ' নাটকীয় ভাষা আৰু সামাজিক বিষয়বস্তুৰ বাবে বিশেষভাৱে পৰিচিত। অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ ছাঁ পুতলা নাচত ডাঙৰ চামৰ পুতলা ব্যৱহাৰ কৰা হয় আৰু মহাকাব্যভিত্তিক দীঘলীয়া উপস্থাপন কৰা হয়। কেৰালাৰ 'পাভাকাথাকলি' কথাকলিৰ নাট্যভাষাৰ সৈতে সংযুক্ত এক বিশেষ গ্লাভ পুতলা নাচ। অসমীয়া পুতলা নাচতো লোককথা, পৌৰাণিক কাহিনী আৰু সামাজিক বাৰ্তা উপস্থাপন কৰা হয়। বাঁহ, কাপোৰ, কাগজ আৰু মাটিৰ সহায়ত পুতলা তৈয়াৰ কৰা হয়।



অসমত আধুনিক সময়ত পুতলা নাচ শিক্ষা, স্বাস্থ্য সচেতনতা আৰু সামাজিক উন্নয়নমূলক কাৰ্যসূচীত ব্যৱহৃত হৈছে। বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ পাঠ সহজে বুজাবলৈ পুতলাভিত্তিক নাট্য উপস্থাপন কৰা হয়। বিজ্ঞান, গণিত, সমাজ বিজ্ঞান, নৈতিক শিক্ষা আৰু আধ্যাত্মিক বিষয়সমূহৰ ওপৰত পুতলাভিত্তিক শিক্ষামূলক সামগ্ৰী প্ৰস্তুত কৰা হৈছে। ভাৰত চৰকাৰৰ NCERT আৰু অসম চৰকাৰৰ SCERT-এ এইক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীৰ 'সুৰজিৎ একাডেমী'য়েও বিদ্যালয়সমূহত পুতলা নাচৰ জৰিয়তে শিক্ষামূলক কাৰ্যসূচী চলাই আহিছে।

পুতলা নাচ সামাজিক সচেতনতা সৃষ্টিৰ ক্ষেত্ৰতো এক শক্তিশালী মাধ্যম। অতীতত ৰামায়ণ, মহাভাৰত আৰু লোককথাৰ জৰিয়তে সত্য, ন্যায়, ত্যাগ আৰু কৰ্তব্যবোধৰ শিক্ষা প্ৰচাৰ কৰা হৈছিল। পুতলা শিল্পীসকলে গান, সংলাপ আৰু নাট্যভাষাৰ জৰিয়তে সমাজৰ ইতিহাস, স্মৃতি আৰু অভিজ্ঞতা সংৰক্ষণ কৰিছিল। ব্যংগ আৰু প্ৰতীকৰ সহায়ত সামাজিক বৈষম্য, দাৰিদ্ৰ্য আৰু শাসকৰ অন্যায়ৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টি কৰা হৈছিল।


যদিও পুতলা নাচৰ সাংস্কৃতিক মূল্য অমূল্য, তথাপি আধুনিক যুগত ই বহু সংকটৰ সন্মুখীন হৈছে। নগৰীকৰণ, টেলিভিছন, চিনেমা, ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ বিস্তাৰে পৰম্পৰাগত পুতলা নাচৰ দৰ্শক কমাই দিছে। আগতে গাঁও-মেলাত বা উৎসৱত পুতলা নাচ অত্যন্ত জনপ্ৰিয় আছিল; কিন্তু এতিয়া সেই সুযোগ কমি আহিছে। ফলত বহু পুতলা শিল্পী নিয়মীয়া উপাৰ্জনৰ অভাৱত আন পেছালৈ গতি কৰিছে।

বংশানুক্ৰমে চলি অহা পুতলা নাচৰ পৰম্পৰাও সংকটত পৰিছে। আগতে গুৰু-শিষ্য পৰম্পৰাৰে এই কলা শিক্ষা দিয়া হৈছিল; কিন্তু আধুনিক সময়ত এই ধাৰা দুৰ্বল হৈ পৰিছে। পুতলা নাচ ■ *১০ পৃষ্ঠাত*

# হিমাংশু ৰণ্জন ভূঞাৰ

# জাতি মাটি ভেটি

## এখন সময়োপযোগী গ্ৰন্থ




ললিত নাথ

অসমীয়া সাহিত্য, সংবাদ আৰু নাট্যক্ষেত্ৰখনত নিৰন্তৰ সাধনাৰে প্ৰতিষ্ঠা লাভ কৰা যুৱ সাহিত্যিক হিমাংশু ৰণ্জন ভূঞাৰ শেহতীয়া গ্ৰন্থ ‘জাতি মাটি ভেটি’ এখন সময়োপযোগী গুৰুত্বপূৰ্ণ গ্ৰন্থ হিচাপে চৰ্চিত হৈছে। এই কিতাপখনত লেখকে অসমীয়া জাতিৰ বৰ্তমানৰ শোচনীয় অৱস্থা আৰু ভৱিষ্যতৰ শংকাক লৈ যি এক মননশীল আৰু যুক্তিসংগত বিশ্লেষণ আগবঢ়াইছে, সি সঁচাকৈয়ে প্ৰতিগৰাকী পঢ়ুৱৈৰ বিবেকক জোকাৰি যাব। আমি প্ৰায়েই সামাজিক বা ৰাজনৈতিক মঞ্চত ‘জাতি-মাটি-ভেটি’ শব্দকেইটাক কেৱল এটা শ্ল’গান হিচাপে ব্যৱহাৰ হোৱা দেখো। কিন্তু ভূঞাই নিজৰ এই গ্ৰন্থত অতি বলিষ্ঠভাৱে প্ৰতিপন্ন কৰিছে যে এইবোৰ কোনো ক্ষণস্থায়ী আৱেগ নহয়। বৰঞ্চ ই অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এক গভীৰ সংকল্প, এক ঐতিহাসিক চেতনা। গ্ৰন্থখনৰ পৃষ্ঠাই পৃষ্ঠাই লেখকে কোনো ধৰণৰ উগ্ৰ জাতীয়তাবাদী আৱেগ বা মিছা ৰোমাণ্টিক কল্পনাৰ আশ্ৰয় লোৱা নাই। অতি সহজ, সৰল আৰু ঘৰুৱা অসমীয়া ভাষাৰে তেওঁ সমাজৰ এনে কিছুমান তিতা সত্য উন্মোচন কৰিছে, যিবোৰৰ মুখামুখি হ’বলৈ আমি সাধাৰণতে ভয় কৰো বা সংকোচ বোধ কৰো।

শোণিতপুৰ জিলাৰ ইতিহাসপ্ৰসিদ্ধ জামুগুৰিহাটত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰতিভাশালী লেখকে ছাত্ৰ অৱস্থাৰ পৰাই আজিকোপতি নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চা কৰি আহিছে। তেওঁৰ লেখাৰ ধাৰাবাহিকতাই প্ৰমাণ কৰে যে সাহিত্য তেওঁৰ বাবে কেৱল চখ নহয়, ই এক জীৱন দৰ্শন। বৰ্তমানলৈকে তেওঁ অসমীয়া গ্ৰন্থ জগতলৈ ‘চিৰাজ দ্ৰৌপদী আৰু অন্যান্য গদ্য’ (২০১৫), ‘জীয়াভৰলীৰ পলস’ (২০১৭), ‘মোৰ প্ৰেয়সীৰ বিয়া’ নামৰ কাব্যগ্ৰন্থ (২০১৭), ‘সাম্প্ৰতিক সময়-প্ৰাসংগিক চিন্তা’ (২০১৮), আৰু ‘বিষয় নাটক’ (২০২২) শীৰ্ষক পাঁচখন অমূল্য গ্ৰন্থ উপহাৰ দিছে। এজন নাট্যানুৰাগী হিচাপে তেওঁ ৰাজ্যৰ বিভিন্ন মঞ্চত প্ৰদৰ্শিত নাটকসমূহৰ নিৰ্মোহ সমালোচনা কৰাৰ লগতে কালজয়ী নাট্য সৃষ্টি আৰু নাট্যকাৰসকলৰ ওপৰত বিস্তৃত গৱেষণা চলাই আহিছে। এনেবোৰ নিৰলস প্ৰচেষ্টাৰ বাবেই তেওঁ চাৰিটা সন্মানীয় ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ অসম চৰকাৰে তেওঁক ‘যুৱ লেখক সন্মান ২০২৫’ প্ৰদান কৰি তেওঁৰ সাধনাৰ এক উপযুক্ত স্বীকৃতি দিছে বুলি ক’ব পাৰি।

বৰ্তমান অসমৰ যি দ্ৰুত জনগাঁথনিৰ পৰিৱৰ্তন ঘটিছে, সেয়া আমাৰ জাতিটোৰ বাবে কিমান ভয়ংকৰ হ’ব পাৰে, তাৰ এক পুংখানুপুংখ চিত্ৰ লেখকে এই গ্ৰন্থত অংকন কৰিছে। কিতাপখনত সন্নিৱিষ্ট যোল্লটা প্ৰবন্ধৰ প্ৰতিটোৰেই যেন আমাক এক গভীৰ আত্মবিশ্লেষণৰ দিশলৈ লৈ যায়। ‘অসমতে ভগনীয়া হ’ব নেকি অসমীয়া?’, ‘জাতীয় চেতনাৰ অৱক্ষয়’, ‘স্বাভিমানী অসমীয়া জাতি আৰু পৰনিৰ্ভৰশীলতা’ আদি প্ৰবন্ধবোৰত তেওঁ অতি সুন্দৰকৈ বৰ্ণনা কৰিছে কেনেকৈ আমি নিজৰ কৰ্মবিমুখতা আৰু এলেহুৱা স্বভাৱৰ বাবে নিজৰ ভৰিৰ তলৰ মাটিখিনি হেৰুৱাই পেলাইছো। লেখকে অতি স্পষ্টভাৱে কৈছে যে আমি প্ৰতিটো কথাতে আৱেগিক হৈ চিঞৰ-বাখৰ কৰো; কিন্তু বজাৰৰ অৰ্থনীতি আৰু শ্ৰমৰ মৰ্যাদা বুজিবলৈ কোনোদিনে চেষ্টা নকৰো। অসমীয়া যুৱক-যুৱতীয়ে নিজৰ মাটিত খেতি কৰিবলৈ বা সৰু ব্যৱসায় এটা কৰিবলৈ লাজ পায়। চৰকাৰী চাকৰিৰ আশাত বছৰৰ পাছত বছৰ পাৰ কৰে। ফলস্বৰূপে অনা-অসমীয়া লোকসকলে আমাৰ এই মানসিক দুৰ্বলতা আৰু কৰ্মবিমুখতাৰ পূৰ্ণ সুযোগ লৈ আমাৰ বজাৰ আৰু অৰ্থনীতি সম্পূৰ্ণৰূপে দখল কৰিছে। এয়া আমাৰ সমাজৰ এক নিৰ্দয় বাস্তৱ, যিটোক অস্বীকাৰ কৰাৰ কোনো উপায় নাই।


কিতাপখনত কেৱল সমস্যাৰ কথাখিনি কৈয়েই লেখকে দায়িত্ব সামৰা নাই। আমাৰ জাতিটোৰ ভৱিষ্যৎ কেনেকৈ সুৰক্ষিত কৰিব পাৰি, তাৰো চিন্তা-চৰ্চা ইয়াত দেখা গৈছে। লেখকৰ মতে, মাটি হেৰুওৱা মানে কেৱল এক ব্যক্তিগত সম্পত্তি হেৰুওৱা নহয়, ই এক সমগ্ৰ জাতিৰ ৰাজনৈতিক ক্ষমতা আৰু অৰ্থনৈতিক শক্তি হেৰুওৱাৰ সমাৰ্থক। যি জাতিয়ে নিজৰ ভূমিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱায়, বজাৰৰ নিয়ন্ত্ৰণ আনৰ হাতত গতাই দিয়ে, সেই জাতি এদিন নিজৰ দেশতেই আলহীৰ দৰে হ’বলৈ বাধ্য। ভূঞাই বৰ দুখেৰে আক্ষেপ কৰিছে যে অসমৰ মাটিত আজি অনা-অসমীয়াৰ দপদপনি বাঢ়িছে কেৱল আমাৰ নিজৰ দোষৰ বাবেই। আমি সৰু কাম কৰিবলৈ কুণ্ঠাবোধ কৰো; কিন্তু সেই একেবোৰ কাম বাহিৰৰ পৰা অহা শ্ৰমিকে কৰি আমাৰ চকুৰ আগতে বিশাল সাম্ৰাজ্য গঢ়ি তুলিছে। ‘অত্যধিক আৱেগপ্ৰৱণতা’ নামৰ প্ৰবন্ধটোত লেখকে অতি সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে যে আৱেগ মানুহৰ থাকিব লাগে, কিন্তু আৱেগে যেতিয়া যুক্তিৰ বাট ভেটি ধৰে, তেতিয়া সি জাতিৰ বাবে কাল হৈ পৰে। আমি প্ৰতিটো কথাতে আৱেগিক হৈ প্ৰতিবাদ কৰো; কিন্তু দীৰ্ঘম্যাদী পৰিকল্পনা কৰিবলৈ আমি অক্ষম।

ভাষিক আৰু সাংস্কৃতিক আগ্ৰাসনৰ বিষয়টো কিতাপখনৰ আন এটা অত্যন্ত গুৰুত্বপূৰ্ণ দিশ। অসমীয়া ভাষাৰ প্ৰতি আমাৰ নিজৰেই যি অৱহেলা, তাকে লৈ লেখকে ক্ষুৰধাৰ সমালোচনা কৰিছে। নিজৰ সন্তানক ঘৰৰ ভিতৰত অসমীয়া শিকোৱাৰ পৰিৱৰ্তে ইংৰাজী বা হিন্দী কোৱাত বেছি গৌৰৱ অনুভৱ কৰা সমাজ এখনৰ ভৱিষ্যৎ আচলতে কি হ’ব পাৰে? আমি ভাষা ৰক্ষাৰ নামত ৰাজপথত আন্দোলন কৰো, সভা-সমিতিত বক্তৃতা দিওঁ, কিন্তু নিজৰ ঘৰতেই মাতৃভাষাৰ চৰ্চা নকৰো। ইণ্টাৰনেটৰ দৰে এক বিশাল মাধ্যমত অসমীয়া ভাষাৰ সমল কিমান নিচেই তাকৰ, সেই বিষয়েও কিতাপখনত আলোচনা কৰা হৈছে। ডিজিটেল পৃথিৱীখনত আমি নিজৰ ভাষাটোক সবল ৰূপত প্ৰতিষ্ঠা কৰিব নোৱাৰিলে ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ পিছতো আমাৰ ভাষাৰ প্ৰকৃত বিকাশ সম্ভৱ নহয়। ‘অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা আৰু ইয়াৰ প্ৰায়োগিক সম্ভাৱনা’ নামৰ লেখাটোত এই বিষয়ে এক বিজ্ঞানসন্মত আলোচনা আগবঢ়োৱা হৈছে।

‘উৎসৱপ্ৰিয় অসমীয়া’ নামৰ বিষয়টোৱে আমাৰ সমাজৰ এক ডাঙৰ ফোঁপোলাস্বৰূপ উদঙাই দিছে। আমি ক্ৰমান্বয়ে এক এনেকুৱা উৎসৱপ্ৰিয় জাতিত পৰিণত হৈছো, য’ত গভীৰ বৌদ্ধিক চৰ্চা বা জ্ঞানৰ সন্ধানতকৈ বাহ্যিক আড়ম্বৰ, নাচ-গান আৰু হুলস্থূলৰ গুৰুত্ব বেছি। বৌদ্ধিক দৈন্যই আমাক গ্ৰাস কৰিছে। শিপাবিচ্ছিন্ন নৱপ্ৰজন্মক লৈও লেখকে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। যিটো প্ৰজন্মই নিজৰ শিপা চিনি নাপায়, নিজৰ ইতিহাস নাজানে, তেওঁলোকে কেনেকৈ ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ মুখামুখি হ’ব? এই গ্ৰন্থখনে প্ৰমাণ কৰে যে হিমাংশু ৰণ্জন ভূঞা কেৱল এজন কাহিনীকাৰ বা প্ৰবন্ধকাৰেই নহয়, তেওঁ এজন অতি সচেতন আৰু সমাজ নিৰীক্ষক সমালোচক। তেওঁৰ কলমৰ মাজেৰে নিগৰি অহা প্ৰতিটো শব্দই সমাজৰ প্ৰতি থকা তেওঁৰ গভীৰ দায়বদ্ধতা আৰু অকৃত্ৰিম দেশপ্ৰেমৰ কথা সোঁৱৰাই দিয়ে।

কিতাপখনৰ ভাষা অতি প্ৰাঞ্জল, পোনপটীয়া আৰু আকৰ্ষণীয়। জটিল অৰ্থনৈতিক আৰু ৰাজনৈতিক কথাবোৰকো লেখকে অতি সহজে, সাধাৰণ পঢ়ুৱৈয়ে বুজি পোৱাকৈ উপস্থাপন কৰিছে। বাক্যৰ গাঁথনিৰ ক্ষেত্ৰত তেওঁ এক সুন্দৰ বৈচিত্ৰ্য ৰক্ষা কৰিছে। কেতিয়াবা দীঘল বিশ্লেষণাত্মক বাক্য, আকৌ কেতিয়াবা একেবাৰে চুটি আৰু তীক্ষ্ণ বাক্যৰে তেওঁ পঢ়ুৱৈৰ মনত প্ৰশ্নৰ উদয় কৰিছে। যাৰ বাবে কিতাপখন পঢ়ি গ’লে অকণো আমনি নালাগে বা একঘেয়ামী অনুভৱ নহয়। কোনো কৃত্ৰিমতাৰ আশ্ৰয় নোলোৱাকৈ, কোনো ধৰণৰ আন ভাষাৰ শব্দৰ অবাবত ব্যৱহাৰ নকৰাকৈ তেওঁ সমাজৰ বাস্তৱ ছবিখন দাঙি ধৰিছে। অসমীয়া ব্যাকৰণৰ শুদ্ধ প্ৰয়োগ আৰু ঘৰুৱা শব্দৰ ব্যৱহাৰে গ্ৰন্থখনক অধিক প্ৰাণৱন্ত কৰি তুলিছে। এই গ্ৰন্থখন প্ৰকৃততে অসমীয়া জাতীয় জীৱনৰ এক নিৰ্মম দাপোণ, য’ত আমি নিজৰ কৰ্মবিমুখতা, আৱেগপ্ৰৱণতা আৰু পৰনিৰ্ভৰশীলতাৰ স্বৰূপটো অতি স্পষ্টকৈ দেখিবলৈ পাওঁ।

অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ যুঁজখনত হিমাংশু ৰণ্জন ভূঞাৰ ‘জাতি মাটি ভেটি’ গ্ৰন্থখনে এক গুৰুত্বপূৰ্ণ বৌদ্ধিক অস্ত্ৰ হিচাপে কাম কৰিব। গ্ৰন্থখনৰ সমালোচনাত্মক দিশবোৰে আমাক কেৱল নিৰাশ বা হতাশ নকৰে, বৰঞ্চ নিজৰ ভুলবোৰ শুধৰাই আগবাঢ়ি যাবলৈ এক নতুন উদ্যম আৰু প্ৰেৰণা যোগায়। আমি সকলোৱে এই কথাটো মৰ্মে মৰ্মে উপলব্ধি কৰা উচিত যে কেৱল আৱেগেৰে বা শ্ল’গানেৰে জাতি ৰক্ষা নপৰে। জাতি এটা জীয়াই থাকিবলৈ হ’লে লাগে কঠোৰ পৰিশ্ৰম, অৰ্থনৈতিক স্বাৱলম্বিতা, জ্ঞানৰ চৰ্চা আৰু নিজৰ মাটিৰ প্ৰতি অকৃত্ৰিম কৰ্মমুখী প্ৰেম। এই সুন্দৰ, মননশীল আৰু সময়োপযোগী গ্ৰন্থখন অসমীয়া সমাজলৈ আগবঢ়োৱাৰ বাবে লেখক হিমাংশু ৰণ্জন ভূঞা সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। ভৱিষ্যতলৈকো তেওঁৰ এনে বলিষ্ঠ আৰু নিৰ্ভীক লেখাই অসমীয়া সাহিত্যৰ ভঁৰাল আৰু অধিক চহকী কৰিব বুলি আমি দৃঢ়তাৰে বিশ্বাস কৰিব পাৰো। ■



# সপোনৰ ঘৰ

মুনমী ভট্টাচাৰ্য

নীৰজ শইকীয়া বেংকৰ কৰ্মচাৰী। বেংকৰ ট্ৰেন্সফাৰ হৈ থকাৰ বাবে এটা ভাড়াঘৰৰ পৰা আন এটা ভাড়াঘৰ সলাই থাকোতেই তেওঁৰ আদবয়স পাৰ হ'ল। পত্নী মৈত্ৰেয়ীৰ সদায় এটাই সপোন আছিল, নিজাকৈ এটা ঘৰ বনোৱাৰ। অৱশেষত পত্নীৰ বুজনিত চহৰৰ পৰা অলপ নিলগত এক শান্ত পৰিৱেশত তেওঁলোকে এক কঠা মাটি কিনিলে। মাটিডৰা কিনিবলৈ যাওঁতে শইকীয়াই বিশেষ চিন্তা কৰা নাছিল। কিন্তু পত্নী মৈত্ৰেয়ীয়ে বিশ্বাস কৰিছিল যে যি মাটিত ঘৰ বনাবলৈ লোৱা হৈছে, সেই মাটিৰো এটা ইতিহাস আছে। সেই কাৰণে তেওঁলোকৰ পৰিয়ালৰ পুৰণি চিনাকি বাস্তু বিশেষজ্ঞ এজনক মাটিখিনি দেখুৱাবলৈ মাতি আনিলে।

তেখেত আহি হাতত বাস্তুৰ সৰঞ্জাম আৰু কম্পাছটো লৈ চৌপাশটো ভালদৰে চালে। তেওঁৰ মুখৰ গম্ভীৰ ভাব দেখি শইকীয়া অলপ চিন্তিত হ'ল। তেখেতে ক'লে, 'শইকীয়া মাটিখিনি ভালেই, কিন্তু ইয়াত দক্ষিণ-পশ্চিম দিশটো অলপ চাপৰ। বাস্তুশাস্ত্ৰ অনুসৰি ইয়াৰ ফলত খৰচ বৃদ্ধি হয় আৰু স্বাস্থ্যৰ ওপৰত প্ৰতিকূলতা আনিব পাৰে। গতিকে ইয়াক সঠিক কৰি ল'ব লাগিব।'

ঘৰৰ প্লেন বনোৱা হ'ল। বাস্তুৰ নিয়ম অনুসৰি উত্তৰ-পূব দিশটো গোসাঁইঘৰৰ বাবে ৰখা হ'ল। দক্ষিণ-পূবত পাকঘৰ আৰু উত্তৰ-পশ্চিম দিশত আলহী থকা ৰুম বনোৱাটো ঠিক হ'ল। শইকীয়াৰ একমাত্ৰ পুত্ৰ অয়নাভ এজন ইঞ্জিনীয়াৰ। সি এই কথাবোৰ বিশ্বাস নকৰে। সি ক'লে, 'মা, এইবোৰ মান্ধাতা যুগৰ বিশ্বাস। আমি আধুনিক ধৰণে ঘৰটো বনাওঁ। এই বাস্তুশাস্ত্ৰৰ দিশ-কোণৰ পাল্লাত পৰি আমাৰ মাটিখিনিৰ ঠাই আৰু ঘৰৰ ডিজাইনবোৰ নষ্ট নকৰিবা।'

মৈত্ৰেয়ীয়ে বুজালে, 'অয়নাভ, বাস্তু মানে কেৱল বিশ্বাস নহয়। ই হ'ল পোহৰ, বতাহ আৰু মহাজাগতিক শক্তিৰ সঠিক ব্যৱহাৰ। ঈশান কোণত গোসাঁইঘৰ ৰখাৰ অৰ্থ হ'ল উত্তৰ-পূবৰ পৰা অহা পৱিত্ৰ পোহৰক ঘৰৰ ভিতৰলৈ আগমন আৰু দক্ষিণ-পূবত পাকঘৰ থকাৰ অৰ্থ হ'ল ঘৰৰ অগ্নিতত্ব সঠিক স্থানত থকা।'

অৱশেষত অয়নাভে মাকৰ সন্তুষ্টিৰ বাবে অনিচ্ছাসত্ত্বেও মানি ল'লে।

দিন বাগৰিল। শইকীয়া পৰিয়ালৰ আশাৰ ঘৰটো লাহে লাহে সম্পূৰ্ণ হ'ল। বাস্তুশাস্ত্ৰৰ নিয়ম মানি মূল দুৱাৰখন পূব দিশত ৰখা হ'ল যাতে ৰাতিপুৱাৰ সূৰ্যৰ কিৰণ পোনেই ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। ঘৰৰ কেন্দ্ৰ যাক 'ব্ৰহ্মস্থান' বুলি কোৱা হয়, সেইখিনি ঠাই মুকলি আৰু পোহৰেৰে আলোকিত হ'ব পৰাকৈ ৰখা হ'ল। গৃহ প্ৰৱেশৰ আগদিনা এভাগ বাস্তু পুৰুষৰ পূজা কৰা হ'ল । তাৰ পিছদিনাহে হোম যজ্ঞ কৰি বিষ্ণু পূজা কৰি ঘৰত প্ৰৱেশৰ প্ৰস্তুতি কৰা হ'ল । মৈত্ৰেয়ীৰ মতে, ঘৰটো বনালেই নহ'ব, ইয়াক পূৰ্ণ কৰি ৰাখিব লাগিব ইতিবাচক চিন্তা আৰু কৰ্মৰে।

প্ৰথম কেইদিনমানতে অয়নাভে আচৰিত ধৰণে লক্ষ্য কৰিলে যে নতুন ঘৰটোলৈ অহাৰ পাছৰে পৰা তাৰ দেউতাকৰ যিটো পুৰণি বিষৰ সমস্যা আছিল, সেয়া বহু পৰিমাণে কমি গৈছে। ঘৰৰ ভিতৰত এক শান্তিময় পৰিৱেশে বিৰাজ কৰিছে। আগতে ভাড়াঘৰত থকা সময়ত সি যি মানসিক চাপ অনুভৱ কৰিছিল, ইয়াত সি যেন এক নতুন শক্তি লাভ কৰিছে।

এদিন আবেলি তেওঁলোকে ড্ৰয়িং ৰুমত বহি চাহ খাই আছিল। ড্ৰয়িং ৰুমটোৰ উত্তৰ দিশৰ ডাঙৰ খিৰিকীখনেৰে বাহিৰৰ প্ৰকৃতিৰ দৃশ্যটো বৰ ধুনীয়া লাগিছিল। উত্তৰ দিশৰ পৰা অহা মৃদু বতাহজাকে ঘৰটো শীতল কৰি ৰাখিছিল।

অয়নাভে হঠাতে ক'লে, 'মা, তুমি ঠিকেই কৈছিলা। এই ঘৰটোত সোমালে মনটো কেনেকৈ শান্ত হৈ যায় মই ধৰিব নোৱাৰো। আমাৰ অফিচতো একেই এ চি, একেই লাইট, কিন্তু ইয়াত যিটো মানসিক শান্তি আছে সেয়া পোৱা নাযায় অফিচত।'

মৈত্ৰেয়ীয়ে হাঁহি মাৰি ক'লে, 'অয়নাভ এয়া বাস্তুশাস্ত্ৰৰ মিৰাকল। প্ৰকৃতিৰ লগত মিলি থাকিলেহে মানুহ সুখী হ'ব পাৰে। আমি পঞ্চমহাভূত যেনে মাটি, পানী, অগ্নি, বায়ু আৰু আকাশ মৌলৰ প্ৰতি সন্মান জনাই এই ঘৰটো বনাইছো।'

শইকীয়াই খিৰিকীৰে আকাশখনলৈ চাই ভাবিলে, জীৱনৰ ইমান দিন তেওঁ কেৱল আশ্ৰয় বিচাৰি ফুৰিছিল; কিন্তু আজিহে তেওঁ এটা স্থায়ী ঠিকনা পালে। বাস্তুশাস্ত্ৰই কেৱল কোঠাবোৰৰ দিশেই নিৰ্ণয় কৰা নাছিল, বৰঞ্চ তেওঁলোকৰ জীৱনৰ দৃষ্টিও সলাই দিছিল।

নতুন ঘৰখনত তেওঁলোকৰ দিনবোৰ এতিয়া সুখেৰে পাৰ হয়। চোতালৰ ঈশান কোণত ৰোপণ কৰা তুলসীজোপাই যেন প্ৰতিদিনে ঘৰখনলৈ নতুনত্ব কঢ়িয়াই আনে। সপোনবোৰ এটা ভেটিত থিয় হ'ল আৰু বাস্তুশাস্ত্ৰৰ প্ৰভাৱত সিহঁতৰ জীৱনৰ প্ৰতিটো দিনেই হৈ পৰিল এক সুখৰ উৎস।

জীৱন মানে সংগ্ৰাম থাকিবই। নতুন ঘৰত বাস কৰাৰ কেইমাহমানৰ পিছত অয়নাভৰ জীৱনলৈও সমস্যা আহিল। সি যিটো কোম্পানীত কৰিছিল তাত হঠাতে বিত্তীয় খেলিমেলি হ'ল। অয়নাভৰ ওপৰত কামৰ চাপ বাঢ়িল আৰু এটা গুৰুত্বপূৰ্ণ প্ৰজেক্ট বাৰে বাৰে বিফল হ'বলৈ ধৰিলে। সি ঘৰলৈ আহিও আগৰ দৰে শান্তিত থাকিব নোৱাৰা হ'ল। অয়নাভৰ খিংখিঙীয়া স্বভাৱটো দেখি মৈত্ৰেয়ীয়ে লক্ষ্য কৰিলে যে সি আজিকালি ঘৰৰ উত্তৰ-পশ্চিম দিশত থকা আলহী ৰুমটোত বেছিভাগ সময় কাম কৰে আৰু তাতেই শুবলৈ লৈছে। যিহেতু সেই কোঠাটো বায়ু কোণত আছিল; বাস্তু অনুসৰি তাত বেছি সময় থাকিলে মনলৈ চঞ্চলতা আৰু অস্থিৰতা আহে।

এদিন মৈত্ৰেয়ীয়ে বাস্তু বিশেষজ্ঞজনক আকৌ ঘৰলৈ মাতিলে। অয়নাভৰ কোঠাটো চাই তেওঁ ক'লে, 'অয়নাভ তুমি এজন ইঞ্জিনীয়াৰ। তুমি জানা যে এটা মেচিন চলাই ৰাখিবলৈ তাক সঠিক স্থানত স্থাপন কৰিব লাগে। ঠিক তেনেকৈ তোমাৰ কৰ্মশক্তিৰ বাবে উত্তৰ দিশটো শুভ। তুমি বায়ু কোণত বহি গভীৰ মনোযোগৰ কাম কৰিবলৈ টান পাবা।'

তেখেতৰ পৰামৰ্শ মতে, অয়নাভে তাৰ লেপটপ আৰু টেবুলখন ঘৰৰ উত্তৰ দিশলৈ নিলে। উত্তৰ দিশটোক বাস্তুশাস্ত্ৰত কুবেৰৰ দিশ বুলি কোৱা হয়। যিয়ে সুযোগ আৰু সফলতা কঢ়িয়াই আনে। লগতে বাস্তু বিশেষজ্ঞজনে এটা সৰু নীলা ৰঙৰ Water Fountain উত্তৰ-পূব দিশত ৰাখিবলৈ ক'লে, যাতে পানীৰ সোঁতৰ দৰে ধনাত্মক শক্তিৰ ঘৰলৈ প্ৰবাহ ঘটে।

ঠাই সলনি কৰাৰ এসপ্তাহৰ ভিতৰতে অয়নাভৰ স্থিতি সলনি হ'বলৈ ধৰিলে। সি যিটো প্ৰজেক্টত কাম কৰি আছিল, তাত নতুন আইডিয়া প্ৰয়োগ কৰিলে। ফলত যিটো প্ৰমোচনৰ বাবে সি বৈ আছিল সেয়া হৈ উঠিল।

সেইদিনা ৰাতি অয়নাভে মাকক ক'লে, 'মা মই বুজি পাইছো যে বাস্তুশাস্ত্ৰ কেৱল ইটা-চিমেণ্টৰ গাঁথনিৰ দিশ চোৱা নিয়ম নহয়। ই আমাৰ মনস্তত্ত্বৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। উত্তৰ দিশৰ সেই মুকলি খিৰিকীখনৰ কাষত বহি কাম কৰিলে মোৰ চিন্তাবোৰ যেন বেলেগ হৈ পৰে।'

মৈত্ৰেয়ীয়ে হাঁহি মাৰি ক'লে, 'সফলতা তোমাৰ পৰিশ্ৰমৰ ফল অয়নাভ। বাস্তুশাস্ত্ৰই কেৱল তোমাক এটা সঠিক পৰিৱেশ দিছে।'

অয়নাভৰ শৈশৱৰ বন্ধু বিতোপন হঠাতে এদিন তেওঁলোকৰ ঘৰত উপস্থিত হ'ল। বিতোপন এজন সফল ব্যৱসায়ী আছিল; কিন্তু যোৱা কেইবামাহো ধৰি তেওঁৰ মনটো খুব অশান্ত আছিল। পাৰিবাৰিক কন্দল আৰু ব্যৱসায়িক লোকচানে তাক একেবাৰে ভাঙি পেলাইছিল। বিতোপনক তেওঁলোকৰ উত্তৰ-পশ্চিম দিশত থকা গেষ্ট ৰুমটোত থাকিবলৈ দিলে। যিহেতু এই দিশ বায়ুৰ দৰে অস্থিৰ, গতিকে অতিথিৰ বাবে এই ঠাই উপযুক্ত। প্ৰথম নিশা থাকিয়ে বিতোপনে ক'লে, 'অয়নাভ তোৰ এই ঘৰটোত সোমোৱাৰ পৰাই মোৰ কিবা এটা বেলেগ অনুভৱ হৈছে। যিটো মোৰ ফ্লেটত মই কেতিয়াও পোৱা নাই।'

অয়নাভে হাঁহি মাৰি ক'লে, 'এয়া মাৰ বাস্তুশাস্ত্ৰৰ প্ৰভাৱ বিতোপন। মাৰ মতে ঘৰ বাস্তুৰ নীতিমতে বনালে আমাক সুস্থিৰ কৰি ৰাখে।'

এদিন আবেলি চাহ খাই থকা সময়ত বিতোপনে ক'লে, 'খুৰী মোৰ ঘৰটোত বাস্তুশাস্ত্ৰৰ প্ৰয়োগ কৰিম। মই এতিয়াহে বুজিলো যে আমি কেৱল সামগ্ৰীৰে সজালেই এখন ঘৰ পূৰ্ণ নহয়। ঘৰটোৰ দিশ আৰু ইয়াৰ প্ৰতিটো কোণৰ সৈতে আমাৰ মনৰ এক গভীৰ সম্পৰ্ক আছে।'

যোৱাৰ সময়ত বিতোপন এজন নতুন মানুহৰ দৰে ওলাই গ'ল। তাৰ চকু মুখত এক নতুন উদ্যম আছিল। শইকীয়াৰ ঘৰটোৱে কেৱল তেওঁলোককে নহয়, বৰঞ্চ তালৈ অহা প্ৰতিজন ব্যক্তিক এক নতুন জীৱন দিবলৈ সক্ষম হৈছে। ■



পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ

প্ৰয়োজনীয়তাৰ বিষয়ে জ্ঞান দিয়া সম্ভৱ। প্ৰচাৰৰ জৰিয়তে সাধাৰণ জনতাক পৰিৱেশৰ সুৰক্ষাৰ প্ৰতি উৎসাহিত কৰা যায়। সম্প্ৰদায়ৰ সহভাগিতাৰ জৰিয়তে স্থানীয় পৰ্যায়ত সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰা সম্ভৱ। ইয়াৰ উপৰি চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ সহযোগিতাৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ কাৰ্যক্ৰমক ত্বৰান্বিত কৰা যায়। সবকাৰে নীতি-নিৰ্দেশনা আৰু আইন প্ৰণয়নৰ জৰিয়তে সংৰক্ষণৰ প্ৰচেষ্টাক শক্তিশালী কৰিব পাৰে। বেচৰকাৰী প্ৰতিষ্ঠানে পৰিৱেশৰ সুৰক্ষাৰ বাবে পুঁজি আৰু প্ৰযুক্তি প্ৰদান কৰিব পাৰে। এই সকলো পদক্ষেপৰ সমন্বয়ৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ লক্ষ্য অৰ্জন কৰা সম্ভৱ। সচেতনতাৰ অভাৱত মানুহৰ কাৰ্যকলাপৰ ফলত জীৱ-বৈচিত্ৰ্যৰ ক্ষতি অব্যাহত থাকিব, যি পৰিৱেশ আৰু মানৱ সমাজৰ বাবে ক্ষতিকাৰক হ'ব। সেয়েহে, সামাজিক সচেতনতাৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰচেষ্টাক শক্তিশালী কৰা অতি জৰুৰী।

জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ এক বিশ্বব্যাপী বিষয়, কিয়নো পৰিৱেশৰ সমস্যা কোনো এখন দেশৰ সীমাৰ মাজত সীমাবদ্ধ নহয়। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ আৰু বনাঞ্চল ধ্বংসৰ দৰে সমস্যাই বিশ্বৰ সকলো দেশৰ ওপৰত প্ৰভাৱ পেলায়। সেয়েহে, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে এই সমস্যাসমূহৰ সমাধান কৰা সম্ভৱ। আন্তঃৰাষ্ট্ৰীয় চুক্তি, যেনে জীৱ-বৈচিত্ৰ্যৰ সন্মিলন, জলবায়ু পৰিৱৰ্তনৰ পেৰিছ চুক্তি আৰু অন্যান্য পৰিৱেশৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ কাৰ্যক্ৰমক ত্বৰান্বিত কৰা যায়। এই চুক্তিসমূহৰ জৰিয়তে দেশসমূহে পৰিৱেশৰ সুৰক্ষাৰ বাবে সাধাৰণ লক্ষ্য নিৰ্ধাৰণ কৰে আৰু পৰস্পৰৰ সৈতে সহযোগিতা কৰে। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু পৰিৱেশৰ সুৰক্ষাৰ বাবে কাম কৰা সংগঠনসমূহে পুঁজি, প্ৰযুক্তি আৰু জ্ঞানৰ আদান-প্ৰদানৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ কাৰ্যক্ৰমক শক্তিশালী কৰে। এই সহযোগিতাৰ অভাৱত জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰচেষ্টা সীমিত হৈ থাকিব, কিয়নো এই সমস্যাৰ বিশ্বব্যাপী প্ৰকৃতিৰ বাবে সকলো দেশৰ সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। সেয়েহে, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ লক্ষ্য অৰ্জন কৰা। জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে স্থিতিশীল উন্নয়নৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। স্থিতিশীল উন্নয়নৰ অৰ্থ হ'ল মানুহৰ প্ৰয়োজন পূৰণৰ লগতে পৰিৱেশৰ সুৰক্ষা নিশ্চিত কৰা। জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে স্থিতিশীল উন্নয়নৰ পদ্ধতি অতি প্ৰয়োজনীয়, কিয়নো ই মানুহৰ অৰ্থনৈতিক উন্নতি আৰু পৰিৱেশৰ সুৰক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰে। স্থিতিশীল কৃষি, শক্তিৰ পুনৰ ব্যৱহাৰযোগ্য উৎসৰ ব্যৱহাৰ আৰু পৰিৱেশৰ সুৰক্ষাৰ বাবে উদ্ভাৱনীমূলক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ কৰা। স্থিতিশীল কৃষিৰ জৰিয়তে মাটিৰ উৰ্বৰতা আৰু জীৱ-বৈচিত্ৰ্যৰ সুৰক্ষা নিশ্চিত কৰা যায়। পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ উৎসৰ ব্যৱহাৰৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাস কৰিব পাৰি। ইয়াৰ উপৰি পৰিৱেশৰ সুৰক্ষাৰ বাবে উদ্ভাৱনীমূলক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে প্ৰদূষণ নিয়ন্ত্ৰণ আৰু বাসস্থানৰ পুনৰ স্থাপন, স্থিতিশীল উন্নয়নৰ এই পদ্ধতিসমূহৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ লক্ষ্য অৰ্জন কৰা, যি পৰিৱেশ আৰু মানৱ সমাজৰ বাবে দীৰ্ঘম্যাদী সুবিধা প্ৰদান কৰে।

জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সামৰণিত ক'ব পাৰি যে ই পৃথিৱীৰ জীৱনৰ ভিত্তি। জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ জৰিয়তে পৰিৱেশ তন্ত্ৰৰ সুস্থিৰতা, মানুহৰ জীৱনৰ মান, অৰ্থনৈতিক সমৃদ্ধি আৰু সাংস্কৃতিক মূল্যবোধ সুৰক্ষিত কৰা সম্ভৱ। এই সংৰক্ষণৰ বাবে পৰিৱেশতন্ত্ৰৰ সুৰক্ষা, সামাজিক সচেতনতা, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু স্থিতিশীল উন্নয়নৰ পদক্ষেপ অতি প্ৰয়োজনীয়। এই সকলো পদক্ষেপৰ সমন্বয়ৰ জৰিয়তে জীৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ লক্ষ্য অৰ্জন কৰা সম্ভৱ, যি ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সুস্থিৰ আৰু সমৃদ্ধ পৃথিৱী গঢ়ি তুলিব। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# ভাৰতীয় পুতলা নাচৰ এক নতুন দিশ

সম্পৰ্কীয় সংগঠিত শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ ব্যৱস্থা সীমিত হোৱাৰ ফলত বহু সূক্ষ্ম কৌশল আৰু পৰম্পৰাগত জ্ঞান হেৰাই যোৱাৰ আশংকা বৃদ্ধি পাইছে। বহু কাহিনী, সংগীত আৰু নাট্যপাঠ লিখিত বা ডিজিটেল ৰূপত সংৰক্ষিত নহয়। ফলত অভিজ্ঞ শিল্পীৰ মৃত্যু বা পেছা পৰিৱৰ্তনৰ লগে লগে মূল্যবান ঐতিহ্য হেৰাই যাব পাৰে।

তথাপি পুতলা নাচ পুনৰুজ্জীৱিত কৰাৰ সম্ভাৱনা যথেষ্ট। আধুনিক প্ৰযুক্তি আৰু নতুন চিন্তাধাৰাৰ সহায়ত এই কলাক নতুন ৰূপ দিয়া হৈছে। আগতে কাঠ, বাঁহ, কাপোৰ আৰু চামৰাৰ দৰে পৰম্পৰাগত সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান ফাইবাৰ, ফ'ম, থাৰ্মোকল, প্লাষ্টিক, পেপিয়াৰ-মেশে আৰু পুনঃব্যৱহাৰযোগ্য সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ইয়াৰ ফলত পুতলা অধিক হালধীয়া, টেকসই আৰু সহজে ব্যৱহাৰযোগ্য হৈছে। আধুনিক আলোকসজ্জা, শব্দ প্ৰযুক্তি, ডিজিটেল প্ৰজেকচন আৰু মাল্টিমিডিয়াৰ ব্যৱহাৰে পুতলা নাচ অধিক আকৰ্ষণীয় কৰি তুলিছে।

সমসাময়িক পুতলা নাচত পৌৰাণিক বা ঐতিহাসিক কাহিনীৰ লগতে স্বাস্থ্য সচেতনতা, পৰিৱেশ সংৰক্ষণ, লিংগ সমতা, শিশুৰ অধিকাৰ আৰু শিক্ষাৰ দৰে বিষয়ো অন্তৰ্ভুক্ত হৈছে। সহজ আৰু আনন্দদায়ক উপস্থাপনৰ বাবে জটিল বিষয়সমূহো সাধাৰণ মানুহে সহজে বুজি পায়। বিশেষকৈ গ্ৰামাঞ্চল আৰু শিশুসকলৰ মাজত সচেতনতা সৃষ্টিৰ ক্ষেত্ৰত এই মাধ্যম অত্যন্ত ফলপ্ৰসূ।

আধুনিক নাট্যশৈলী আৰু প্ৰযুক্তিৰ সৈতে পুতলা নাচৰ সংযোগে নতুন নাট্যভাষাৰ সৃষ্টি কৰিছে। জীৱন্ত অভিনেতা, পুতলা, সংগীত, আলোকসজ্জা, শব্দ, ভিডিঅ' আৰু মাল্টিমিডিয়াৰ সমন্বয়ে পুতলা নাচক অধিক সৃষ্টিশীল আৰু আধুনিক ৰূপ দিছে। অভিনেতা আৰু পুতলাৰ যৌথ উপস্থাপনে গভীৰ প্ৰতীকী অভিব্যক্তি সৃষ্টি কৰে। এই ধাৰাই পুতলা নাচক কেৱল লোককলা নহয়, আধুনিক নাট্যকলাৰো এক গুৰুত্বপূৰ্ণ অংশত পৰিণত কৰিছে।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ভাৰতীয় পুতলা নাচে বিশেষ স্বীকৃতি লাভ কৰিছে। ইউৰোপ, এছিয়া আৰু আমেৰিকাৰ বিভিন্ন আন্তঃৰাষ্ট্ৰীয় উৎসৱত ভাৰতীয় পুতলা নাচ উপস্থাপন কৰা হৈছে। সূতা পুতলা, ছাঁ পুতলা আৰু গ্লাভ পুতলাৰ অভিনয়ে বিশ্বজুৰি প্ৰশংসা লাভ কৰিছে। বিভিন্ন বিশ্ববিদ্যালয় আৰু গৱেষণা কেন্দ্ৰত ভাৰতীয় পুতলা নাচৰ ওপৰত গৱেষণা চলি আছে। UNESCOৰ দৰে আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক সংগঠনেও লোককলাৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ ফলত ভাৰতীয় পুতলা নাচৰ বিশ্বব্যাপী স্বীকৃতি বৃদ্ধি পাইছে।

ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়, সংগীত-নাটক একাডেমী, CCRT, IGNCA আৰু বিভিন্ন সাংস্কৃতিক প্ৰতিষ্ঠানে পুতলা নাচ সংৰক্ষণ আৰু বিকাশৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছে। নাট্য উৎসৱ, কৰ্মশালা, প্ৰশিক্ষণ শিবিৰ আৰু আৰ্থিক সহায়ৰ জৰিয়তে শিল্পীসকলক উৎসাহিত কৰা হৈছে। মহিলা শিল্পী আৰু স্বাধীন পুতলা শিল্পীসকলৰ সক্ৰিয় অংশগ্ৰহণেও এই কলাত নতুন দৃষ্টিভংগী আৰু নতুন বিষয় সংযোজন কৰিছে।

আজিৰ সময়ত ভাৰতীয় পুতলা নাচ এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত উপনীত হৈছে। পৰম্পৰা সংৰক্ষণ আৰু আধুনিকতাৰ সমন্বয়ৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো এই কলাৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব। বিদ্যালয়, সামাজিক মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু সাংস্কৃতিক পৰ্যটনৰ সৈতে পুতলা নাচক সংযুক্ত কৰিলে নতুন প্ৰজন্ম এই কলাৰ প্ৰতি অধিক আগ্ৰহী হ'ব।

সেইবাবে ভাৰতীয় পুতলা নাচ কেৱল অতীতৰ স্মৃতি নহয়; ই আজিও এক জীৱন্ত, শক্তিশালী আৰু প্ৰাসংগিক কলা। সমাজৰ পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই নিজকে নতুন ৰূপত গঢ়ি তুলিব পৰা ক্ষমতাই এই কলাক চিৰজীৱী কৰি ৰাখিছে। পৰম্পৰা, আধুনিক প্ৰযুক্তি, শিক্ষা আৰু সামাজিক প্ৰয়োগৰ সমন্বয়ে ভাৰতীয় পুতলা নাচ ভৱিষ্যতেও এক মূল্যৱান সাংস্কৃতিক ঐতিহ্য হিচাপে বিশ্বমঞ্চত উজ্জ্বল হৈ থাকিব। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# পৰিৱেশ প্ৰদূষণ

কৰা বা 'স্বচ্ছ বায়ু সৰ্বেক্ষণ'ত স্থান উন্নত হোৱা বুলি প্ৰচাৰ চলাই আত্মসন্তুষ্টি লাভ কৰিলেও বাস্তৱ ক্ষেত্ৰত এইবোৰ মাথোঁ সাময়িক প্ৰলেপস্বৰূপ পদক্ষেপ। জনসাধাৰণে চৰকাৰৰ পৰা এক শক্তিশালী আৰু দীৰ্ঘম্যাদী পৰিকাঠামোগত সমাধান আশা কৰে; কিন্তু প্ৰশাসনে কোনো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। নিৰ্মাণকাৰ্যৰ স্থানসমূহত ধূলি নিয়ন্ত্ৰণৰ বাবে যিবোৰ নীতি-নিয়ম থাকিব লাগে, সেইবোৰৰ কোনো কঠোৰ বলবৎকৰণ চহৰখনত নাই। বকো-ছয়গাঁও অঞ্চলত শেহতীয়াকৈ গঢ়ি উঠা পাঁচ শতাধিক অবৈধ ইটাভাটাই নিৰন্তৰভাৱে বিষাক্ত ধোঁৱা নিৰ্গত কৰি থকাৰ পিছতো জিলা প্ৰশাসন, বন বিভাগ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড ৰহস্যজনকভাৱে নিমাত হৈ আছে। গুৱাহাটীৰ বাবে আড়ম্বৰপূৰ্ণভাৱে প্ৰস্তুত কৰা 'ক্লিন এয়াৰ একচন প্লেন' (Clean Air Action Plan) কেৱল চৰকাৰী ফাইল আৰু শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ আলোচনাচক্ৰতেই সীমাবদ্ধ হৈ আছে। আইন আছে, কিন্তু তাৰ বাস্তৱিক প্ৰয়োগ শূন্য। চৰকাৰৰ এই চূড়ান্ত ব্যৰ্থতাই প্ৰমাণ কৰে যে জনস্বাস্থ্যতকৈ তথাকথিত অবৈজ্ঞানিক উন্নয়ন আৰু আন্তঃগাঁথনিৰ চমক সৃষ্টি কৰাটো তেওঁলোকৰ বাবে অধিক গুৰুত্বপূৰ্ণ। এই ভয়াবহ সংকটৰ সময়ত কেৱল চৰকাৰক দোষাৰোপ কৰিলেই আমাৰ দায়িত্ব কেতিয়াও শেষ নহয়। এখন সভ্য সমাজ হিচাপে আৰু সচেতন নাগৰিক হিচাপে আমাৰো কিছুমান গুৰুত্বপূৰ্ণ সামাজিক দায়িত্ব আছে। ঘৰৰ পৰিত্যক্ত আৱৰ্জনা আৰু প্লাষ্টিক মুকলিকৈ জ্বলোৱা কাৰ্য আমি নিজেই স্বতঃস্ফূৰ্তভাৱে বন্ধ কৰিব লাগিব। যান-বাহনৰ ব্যৱহাৰ হ্ৰাস কৰি ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগতে নিজৰ চৌদিশে গছপুলি ৰোপণ কৰাটো আমাৰ এক নৈতিক কৰ্তব্য। কিন্তু আটাইতকৈ ডাঙৰ দায়িত্বটো হৈছে চৰকাৰক প্ৰশ্ন কৰিবলৈ শিকা। গণতান্ত্ৰিক ব্যৱস্থাত স্বচ্ছ বায়ু গ্ৰহণ কৰাটো আমাৰ সাংবিধানিক আৰু মৌলিক অধিকাৰ। আমি প্ৰশাসনক জবাবদিহি কৰিবলৈ বাধ্য কৰাব লাগিব যাতে তেওঁলোকে বৈজ্ঞানিক আৱৰ্জনা ব্যৱস্থাপনা গঢ়ি তোলে আৰু অবৈধ উদ্যোগ তথা প্ৰদূষণকাৰী নিৰ্মাণকাৰ্যৰ ওপৰত কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰে। জনসাধাৰণৰ সজাগতা আৰু সন্মিলিত প্ৰতিবাদ অবিহনে এই দুৰ্নীতিগ্ৰস্ত আৰু নিৰ্লিপ্ত ব্যৱস্থাটোৰ পৰা কোনো ধৰণৰ যোগাত্মক পৰিৱৰ্তন আশা কৰাটো ভুল। গুৱাহাটীৰ এই পৰিস্থিতি সমগ্ৰ অসমৰ ভৱিষ্যতৰ বাবে এক অতি ডাঙৰ সতৰ্কবাণী। গুৱাহাটী হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰডলি আৰু অসমৰ অৰ্থনীতিৰ মূল প্ৰাণকেন্দ্ৰ। যদি গুৱাহাটীৰ বতাহ উশাহ ল'ব নোৱৰা অৱস্থালৈ গতি কৰে, তেন্তে সমগ্ৰ ৰাজ্যখনৰ আৰ্থ-সামাজিক গাঁথনি ভাঙি পৰিবলৈ বেছি দিন নালাগিব। প্ৰদূষণৰ এই প্ৰভাৱ কেৱল জনস্বাস্থ্যতেই আবদ্ধ নাথাকে; গুৱাহাটী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ পৰা নিৰ্গত হোৱা 'ব্লেক কাৰ্বন' (Black Carbon) হিমালয়ৰ হিমবাহ গলোৱাত প্ৰত্যক্ষ অৰিহণা যোগাইছে, যিয়ে ভৱিষ্যতে সমগ্ৰ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ পৰিৱৰ্তন আৰু ভয়ংকৰ বানপানীৰ সৃষ্টি কৰিব পাৰে। দীপৰ বিলৰ দৰে গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় জলাশয়সমূহ বৰ্জিত আৱৰ্জনাৰ ফলত ক্ৰমান্বয়ে ধ্বংসৰ গৰাহলৈ গৈছে, যিয়ে স্থানীয় জৈৱ-বৈচিত্ৰ্যলৈ ভাবুকি কঢ়িয়াই আনিছে। এখন ৰুগীয়া আৰু প্ৰদূষিত ৰাজ্যই কেতিয়াও প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। চিকিৎসাৰ নামত সাধাৰণ ৰাইজৰ যি বৃহৎ পৰিমাণৰ ধন খৰচ হ'ব, সিয়ে ৰাজ্যৰ অৰ্থনীতিকো পংগু কৰি পেলাব। যদি আজি আমি আৰু আমাৰ চৰকাৰে এই পৰিৱেশগত সংকটটোক অতি গুৰুত্বসহকাৰে লৈ জৰুৰীকালীন অৱস্থাৰ দৰে কাম নকৰো, তেন্তে অসমৰ ভৱিষ্যৎ হ'ব অন্ধকাৰ, ৰোগগ্ৰস্ত আৰু সম্পূৰ্ণৰূপে ধ্বংসোন্মুখ। অৰ্থনৈতিক বিকাশ আৰু তথাকথিত আধুনিকীকৰণৰ নামত আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক এখন উশাহ ল'ব নোৱৰা মৰিশালি উপহাৰ দিবলৈ গৈ আছো। সময় থাকোতেই সঠিক আৰু কঠোৰ বৈজ্ঞানিক পদক্ষেপ গ্ৰহণ নকৰিলে 'কি হ'ব অসমৰ ভৱিষ্যৎ?'— এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি পোৱাটো আমাৰ সকলোৰে বাবে এক ডাঙৰ দুৰ্বিষহ সপোন হৈ পৰিব। ■

### চাংসাৰিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ সম্পাদক ৰাতুল শৰ্মা

# এখন সুস্থ, সবল সমাজৰ ভেটি হ’ব ইউ চি চি

**অসম ভূমি সেৱা, চাংসাৰি ঃ** শ্বৰীয়তৰ অপভ্ৰংশ কৰি হ’লেও ইউ চি চিৰ বিৰোধিতা কৰিছে সংখ্যালঘু বিধায়কে। যোৱা সোমবাৰে চাংসাৰিত বেজেৰা মণ্ডল বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেল সম্বোধন কৰি এই মন্তব্য কৰে প্ৰদেশ বিজেপিৰ সম্পাদক ৰাতুল শৰ্মাই। ইউ চি চিৰ কংগ্ৰেছৰ বিধায়কে বিৰোধিতা কৰাটো লজ্জাজনক বুলি অভিহিত কৰি তেওঁ লগতে কয় যে এখন সুস্থ, সবল সমাজৰ ভেটি হ’ব ইউ চি চি। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, উত্তৰ কামৰূপ বিজেপিৰ সভাপতি ভাস্কৰ কলিতা, উপ-সভাপতি হেমন্ত বৰা, গৌতম কলিতা, সম্পাদক প্ৰভাত কলিতা, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি নয়নমণি বৰাকে ধৰি কেইবাগৰাকী দলীয় নেতা-কৰ্মী উপস্থিত থকা সংবাদমেলত ইউনিফৰ্ম চিভিল ক’ডক আইনত পৰিণত কৰি অসমে দেশৰ ভিতৰতে তৃতীয়খন ৰাজ্যৰ মৰ্যাদা লাভ কৰা বাবে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা আৰু বিধেয়কখন সমৰ্থন কৰা বিধায়কসকলক ধন্যবাদ জনায় বিজেপিৰ ৰাজ্যিক সম্পাদক ৰাতুল শৰ্মাই। কংগ্ৰেছৰ নেতৃত্বই সম নাগৰিক সংহিতা আইনখন কাৰ্যকৰী হ’লে সংখ্যালঘু নেতাৰ ৰাজনৈতিক অংকত আউল লগাৰ ভয়ত আইনখনৰ বিৰোধিতা কৰা বুলিও তেওঁ কয়। শৰ্মাই কয় যে সুস্থ, সবল জাতিৰ কথা চিন্তা নকৰা মুছলমান নেতৃত্বৰ অংক



কেৱল নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰাটোহে। পত্নীৰ ৰোগ আদি হে বিপদত পৰিলে স্বামী হিচাপে যত্ন লোৱাৰ বিপৰীতে অন্য এগৰাকী বিয়া কৰাই লোৱাটো কেনেকৈ ন্যায় হ’ব পাৰে বুলিও সংবাদমেলত প্ৰশ্ন কৰে ৰাজ্যিক বিজেপিৰ সম্পাদকগৰাকীয়ে।



### নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ অধিৱেশন সম্পন্ন

# জানুৱাৰীৰ পৰা কাৰ্যকৰী হ’ব লাগে অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন ঃ পংকজ বৰ্মন

**অসম ভূমি সেৱা, চামতা ঃ** সমাজত কৰ্মচাৰীসকলক তুচ্ছ-তাচ্ছিল্য কৰা বন্ধ হ’ব লাগে। শিক্ষকসকল সমাজৰ সকলোৰে উৰ্ধত আৰু সমাজৰ আটাইকৈ নমস্য ব্যক্তি। শিক্ষকসকলে জ্ঞান দিয়াৰ বাবে আমি জ্ঞান আহৰণ কৰিব পাৰিছো। এই মন্তব্য সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদকপ্ৰধান পংকজ বৰ্মনৰ যোৱা দেওবাৰে নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ ২৯ সংখ্যক বাৰ্ষিক অধিৱেশনখনৰ মুকলি সভাৰ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰসংগত তেওঁ অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন এক জানুৱাৰীৰ পৰা কাৰ্যকৰী হ’ব লাগে দাবী উত্থাপন কৰে। ইয়ে কৰ্মচাৰীসকলৰ ভৱিষ্যৎ নিৰাপত্তা সুনিশ্চিত কৰিব। আনহাতে, অসমৰ চৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীসকলক সমান্তৰালভাৱে কৰ্মসংস্কৃতি গঢ়িবলৈ আহ্বান জনায়। সকলো বিভাগৰ কৰ্মচাৰীসকল এক লগ হৈ থকা বাবে এতিয়া পৰিষদ বৰ্তি আছে। ১০০ জনৰ ভিতৰত দুজনৰ ভুলৰ বাবে কৰ্মচাৰীসকলে এতিয়া সমাজত তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হ’ব লগা হৈছে। ইপিনে একাংশ কৰ্মচাৰীৰ অদক্ষতাৰ বাবে সমাজৰ কিছু কামত লেহেমীয়া সৃষ্টি হৈছে বুলিও তেওঁ ভাষণত দোহাৰে। বেলশৰ ছহিদ স্মৃতি মহাবিদ্যালয়ত পশ্চিম নলবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ আতিথ্যত আৰু প্ৰশান্ত নাৰায়ণ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অধিৱেশনত বিশিষ্ট অতিথিৰূপে ভাষণ দিয়ে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই। সভাৰ আৰম্ভণিতেই আদৰণী ভাষণ প্ৰদান কৰে উদ্‌যাপন সমিতিৰ সভাপতি বিশিষ্ট সমাজকৰ্মী প্ৰশান্ত মেনাই। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সদস্য বশিষ্ঠ ৰাজবংশী, নৰ শৰ্মা, সাংগঠনিক সম্পাদক প্ৰাণেশ্বৰ কলিতা আৰু ৰঞ্জন মেধি। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মানস বৰঠাকুৰ। পুৱা কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰে নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰশান্ত নাৰায়ণ চৌধুৰীয়ে। তাৰ পিছতে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিৰ দ্বাৰা ২৯ খন পতাকা উত্তোলন কৰা হয়। তাৰ পিছত ছহিদ তৰ্পণ, পুষ্পাঞ্জলি প্ৰদান, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ, প্ৰতিনিধি পঞ্জীয়ন আদি অনুষ্ঠিত হয়। প্ৰতিনিধি সভা উদ্বোধন কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ যুটীয়া সম্পাদক উৎপল দাসে। মুকলি সভাতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

### বজালীৰ সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়

# বিজ্ঞান শিক্ষক অনিল চৌধুৰীৰ বিদায় সম্বৰ্ধনা সভা

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী শিক্ষা খণ্ডৰ অন্তৰ্গত শিয়ালমাৰীস্থিত সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক, কৃতী শিক্ষক বঁটাপ্ৰাপক অনিল চৌধুৰীৰ অৱসৰকালীন বিদায় সম্বৰ্ধনা সভাখন যোৱা ২৯ মে’ত অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে বিগত ৩২ বছৰ ধৰি শিক্ষকতা কৰাৰ অন্তত যোৱা ৩১ মাৰ্চত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত চৌধুৰীক বিদ্যালয়ৰ লগতে অঞ্চলটোৰ ৰাইজে বিদায় সম্ভাষণ



জনায়। এই উদ্দেশ্যে বিদ্যালয় প্ৰাগণত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জয়ন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত চৌধুৰীক গামোচা, চেলেং চাদৰ, জাপি, শৰাই, ধুতী-পিৰণ, মানপত্ৰ আৰু ধৰ্মমূলক গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। শিক্ষক ৰঞ্জন মেধিয়ে আঁত ধৰা অনুষ্ঠানত বিদায় সম্ভাষণ গ্ৰহণ কৰি ভাষণ প্ৰসংগত অনিল চৌধুৰীয়ে আৱেগিকভাৱে কয় যে শিয়ালমাৰী গাঁওখন মোৰ অতি আপোন ঠাই। এই বিদ্যালয়ৰ লগত মোৰ আৱেগ-অনুভূতি আৰু বহুত স্মৃতি জড়িত হৈ আছে। অকল শিক্ষক হিচাপে যে কাম কৰিছিলো তেনে নহয় সকলো ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্ব অথচ অত্যন্ত মৰম-ভালপোৱাৰ লগতে সৰ্বাংগীণ উন্নতিৰ বাবেও কাম কৰিছিলো। এই বিদ্যালয়ত কাম কৰি থকা সময়তে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে বিভিন্ন ঠাইত বিজ্ঞানৰ মডেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাই পুৰস্কাৰ আনিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি এসময়ৰ অতিকে পিছপৰা অঞ্চল হিচাপে পৰিচিত শিয়ালমাৰী গাঁও এতিয়া সকলো দিশতে উজলি উঠা বুলিও মন্তব্য কৰে। চৌধুৰীয়ে শিক্ষাৰ ক্ষেত্ৰত আগত দিনতো যাতে ছাত্ৰ-ছাত্ৰীসকলে সকলোধৰণৰ সুবিধা লাভ কৰে তাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। উল্লেখ্য যে পুঠিমাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে শিক্ষকতা জীৱনৰ পাতনি মেলা চৌধুৰীয়ে মধ্য বিজনী হাইস্কুল (হুদুখাটা)ত বিজ্ঞান শিক্ষকৰ পাছতে বৰটাৰী হাইস্কুলত বিজ্ঞান শিক্ষক হিচাপে কাম কৰি থকা অৱস্থাত ১৯৯৪ চনত চৰকাৰীভাৱে বিজ্ঞান শিক্ষক হিচাপে নিযুক্তি লাভ কৰি দেনাৰটাৰী গাঁৱৰ সাৰ্বজনীন এম.ই. স্কুলত বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰে। ইয়াৰ পাছতে ১৯৯৯ চনত শিয়ালমাৰীস্থিত সৰ্বোদয় এম. ই. স্কুললৈ বদলি হৈ অহাৰ পাছত ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। বিদায় সভাত বজালী জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাই অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত চৌধুৰীক এগৰাকী দায়িত্বশীল কৃতী শিক্ষক হিচাপে অভিহিত কৰাৰ লগতে তেওঁৰ কৰ্তব্যনিষ্ঠাৰ শলাগ জ্ঞাপন কৰি দীৰ্ঘায়ু কামনা কৰে। সভাত কঁঠালমুৰীঘাট হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গিৰীন পাটগিৰী, সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তৰুলতা পাটগিৰী, প্ৰধান শিক্ষক নাৰায়ণ কলিতা, সহকাৰী শিক্ষক ৰঞ্জন মেধি, পুঠিমাৰী অম্বিকাগিৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নিৰঞ্জন চৌধুৰী, শিক্ষয়িত্ৰী বন্দনা পাঠক আদিকে ধৰি উপস্থিত কেইবাগৰাকীও ব্যক্তিয়ে ভাষণ প্ৰদান কৰি অনিল চৌধুৰীৰ শিক্ষকতা জীৱনত নিজৰ কৰ্তব্যৰ প্ৰতি দায়িত্ব, নিয়মানুৱৰ্তিতাৰ শলাগ জ্ঞাপন কৰি শিক্ষকতাৰ উপৰি তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজৰ লগত জড়িত হৈ এগৰাকী সমাজহিতৈষী হিচাপেও পৰিচিতি লাভ কৰা বুলি উল্লেখ কৰে। ২০২২ বৰ্ষত কৃতী শিক্ষকৰ বঁটা, ২০২৩ বৰ্ষত ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ পৰা কৃতী শিক্ষকৰ বঁটা, ভাৰতীয় দলিত সাহিত্য একাডেমী দিল্লীৰ পৰা ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা আদি লাভ কৰিবলৈ সক্ষম হোৱা কৃতী শিক্ষক, সমাজসেৱী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পূব হস্তীনাপুৰ আঞ্চলিক সমিতিৰ এগৰাকী সক্ৰিয় বিষয়ববীয়া অনিল চৌধুৰীক বিদায় সম্ভাষণ জনাই অভিভাৱক-অভিভাৱিকা, ছাত্ৰ-ছাত্ৰীসকলে আৱেগিক হৈ পৰে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে শিক্ষক ৰঞ্জন মেধিয়ে।

## হাজোত নৱনিৰ্বাচিত বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

# ‘ৰাইজৰ মৰমে আহ্লাদিত কৰিছে, আস্থা অটুট ৰাখিম’

**অসম ভূমি সেৰা, হাজো ঃ** হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক যোৱা দেওবাৰে এক অনুষ্ঠানত হাজো নমঃশূদ্ৰ ৰাইজে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। হাজো নমঃশূদ্ৰ ৰাইজৰ উদ্যোগত বিষ্ণুপুৰ নতুন বজাৰত আয়োজিত এই অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান, শৈক্ষিক প্ৰতিষ্ঠান, আত্মসহায়ক গোটৰ লগতে শতাধিক লোকে অংশগ্ৰহণ কৰি এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানৰ আঁত ধৰে ডিমৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° পংকজ নমঃশূদ্ৰই। বিধায়কগৰাকীক প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে ফুলাম গামোচা, পিতলৰ শৰাই আৰু অভিনন্দনপত্ৰৰে আদৰণি জনায়। পুষ্পৰ সুবাসেৰে ভৰা অনুষ্ঠানস্থলীত ৰাইজৰ ব্যাপক উৎসাহে এক সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনে। অনুষ্ঠানত অগণন সংগঠনৰ উপস্থিতিয়ে বিধায়কগৰাকীৰ প্ৰতি থকা ৰাইজৰ আস্থা পুনৰবাৰ প্ৰতিফলিত কৰে। অনুষ্ঠানত মনসা পূজা উদ্‌যাপন সমিতি, শংকৰ সংঘ (জিলা আৰু প্ৰাথমিক শাখা), দামোদৰ দেৱ নামঘৰ (বাহকাটোলা আৰু বাসুদেৱ), আন্তঃৰাষ্ট্ৰীয় অচ্যুত নৃত্য কলা কেন্দ্ৰ আৰু শ্মশান কমিটী, নমঃশূদ্ৰ প্ৰাথমিক বিদ্যালয়, হাজো আঞ্চলিক জাতীয় বিদ্যালয়, কামৰূপ জিলা কবি সন্মিলন, প্ৰগতিবাদী যুৱক সংঘ আৰু পুথিভঁৰাল আৰু নতুন বজাৰ সমিতিৰ লগতে অঞ্চলটোৰ প্ৰায় ৪০ টাতকৈও অধিক মহিলা আত্মসহায়ক গোটে (সেউজী, জীৱনজ্যোতি, মিলিজুলি, আদৰ্শ, কনকলতা, মা দুৰ্গা, ৰাম-সীতা, মা সৰস্বতী আদিয়ে) বিধায়কগৰাকীক অভিনন্দন জ্ঞাপন কৰে। তদপুৰি হাজো পানীপাৰা মাছমৰীয়া সমবায় সমিতি আৰু অংগনৱাড়ী কেন্দ্ৰৰ প্ৰতিনিধিবৰ্গয়ো বিধায়কগৰাকীক অভিনন্দন জনায়। অনুষ্ঠানত প্ৰাক্তন জিলা পৰিষদৰ সদস্য মেৰাজুল হক চৌধুৰী আৰু বিশিষ্ট শিল্পী চনত ৰাজৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বিধায়কগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। ৰাইজৰ এই অভাৱনীয় মৰম আৰু সম্বৰ্ধনাত অভিভূত হৈ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে ৰাইজে মোৰ ওপৰত যি আস্থা ৰাখিছে, মই সেয়া ৰক্ষা কৰিম। হাজোৰ সৰ্বাংগীণ উন্নয়ন আৰু প্ৰতিগৰাকী ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰাটোৱেই মোৰ মূল লক্ষ্য। সমগ্ৰ অনুষ্ঠানটোৱে হাজোৰ সামাজিক ঐক্য আৰু ভৱিষ্যতৰ উন্নয়নৰ এক ইতিবাচক ছবি দাঙি ধৰিলে। তেওঁ হাজো-গুৱাহাটী ৪২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আগত এক-ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি কয়।



ইতিমধ্যে এই সন্দৰ্ভত মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰাৰ কথাও বিধায়কগৰাকীয়ে উল্লেখ কৰে। এই অনুষ্ঠানতে হাজো নমঃশূদ্ৰ অঞ্চলৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ২১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক বিধায়কগৰাকীয়ে ফুলাম গামোচা, কলম আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে অনুষ্ঠানত আঁত ধৰোতা তথা হাজো নমঃশূদ্ৰ ৰাইজৰ পৰা প্ৰথমগৰাকী পি এইচ ডি লাভ কৰা ডিমৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° পংকজ নমঃশূদ্ৰক বিধায়কগৰাকীয়ে সম্বৰ্ধনা জনায়। তদুপৰি হাজো কৈৱৰ্তটোলা ৰাইজ আৰু সোৱানচাহ শ্ৰীশ্ৰীবাসুদেৱ নামঘৰ পৰিচালনা সমিতিয়ে বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক ফুলাম গামোচা, পিতলৰ শৰাই আৰু মানপত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জনায়।


PARRY
AGRO

বিশ্ব পৰিৱেশ দিৱস
৫ জুন, ২০২৬



গছ নাকাটিব
গছ, বন-জংঘল ধ্বংস নকৰিব
গছ থাকিলেহে প্ৰকৃতি থাকিব, গছ থাকিলেহে আপুনি থাকিব
গতিকে গছপুলি ৰোপণ কৰি প্ৰকৃতি সেউজীয়া কৰি ৰাখক।

সকলোকে বিশ্ব পৰিৱেশ দিৱসৰ শুভেচ্ছা জনালোঁ।
বিশ্ব পৰিৱেশ দিৱস উপলক্ষে প্ৰতিজন নাগৰিকক ঘৰৰ পদূলি আৰু ৰাজহুৱা স্থানত গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনালোঁ।

মুখ্য পৰিচালক
ঢেকীয়াজুলি চাহ বাগিচা
পেৰি এগ্ৰো ইণ্ডাষ্ট্ৰিজ লিমিটেড


Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah